সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17


গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩২ সংখ্যা, ২১ শাওণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 32 Date Of Publication - 7 August 2022 Rs.10.00/-

## জগদীপ ধনখৰ ভাৰতৰ চতুৰ্দশ উপ-ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত



ৰঙিলী বাৰ্ত্তাসেৱা- জগদীপ ধনখৰ ভাৰতৰ চতুৰ্দশ উপ-ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হয়। এন ডি এৰ প্ৰাৰ্থী জগদীপ ধনখৰে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফলত বিৰোধী পক্ষৰ প্ৰাৰ্থী মাৰ্গাৰেট আলভাক বিপুল ভোটৰ ব্যৱধানত পৰাস্ত কৰে। ৰিটাৰ্নিং বিষয়া উৎপল কুমাৰ সিংহই প্ৰকাশ কৰা মতে আছি উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত ৭২৫গৰাকী সাংসদে ভোটদান কৰে। ইয়াৰে ভিতৰত ১৫টা ভোট অযোগ্য হিচাপে বিবেচিত হয়। ভোটগণনাৰ অন্তত এন ডি এৰ প্ৰাৰ্থী ধনখৰে ৫২৮টা ভোট লাভ কৰাৰ বিপৰীতে বিৰোধী প্ৰাৰ্থী আলভাই লাভ কৰে মাত্ৰ ১৮২টা। বিৰোধী শিবিৰৰ কেইবাটাও দলে আলভাৰ সলনি ধনখৰক ভোটদান কৰে। পশ্চিমবংগৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়তে জগদীপ ধনখৰক এন ডি এৰ উপ-ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা পৰিপ্ৰেক্ষিতত পশ্চিমবংগৰ শাসকীয় তৃণমূল কংগ্ৰেছে এই ভোটদানৰ পৰা বিৰত থাকে। বৰ্তমানৰ উপ ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ কাৰ্যকাল ১০ আগষ্টত অন্ত পৰাৰ পাছত ১১ আগষ্টত উপ-ৰাষ্ট্ৰপতি হিচাপে শপতগ্ৰহণ কৰিব জগদীপ ধনখৰে। ৰাজস্থানৰ ঝুনঝুনু জিলাৰ কিথানা নামৰ সৰু গাঁও এখনত ১৯৫১ চনৰ ১৮ মে'ত জন্মগ্ৰহণ কৰে জগদীপ ধনখৰে। ছিট্টগড়ৰ সৈনিক স্কুলৰ পৰা বিদ্যালয়ৰ শিক্ষা সম্পূৰ্ণ কৰা জগদীপ ধনখৰে জয় পুৰস্থিত

দুই পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

## ঘৰে ঘৰে ত্ৰিৰংগা



ঘৰে ঘৰে ত্ৰিৰংগা। আমাৰ শাসিত চৰকাৰখনৰ এটি ভাল পদক্ষেপ। ইয়াৰ জড়িয়তে আমাৰ দেশপ্ৰেমৰ ভাব বিশেষকৈ শিশু সকলৰ মাজত জগাই তুলিব বুলি আশা কৰিব পাৰি। ২০২২ বৰ্ষত ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব আৰু সেই উদ্দেশ্যে এই বছৰ স্বাধীনতাৰ অমৃত মহোৎসৱ হিচাপে পালন কৰিবলৈ ভাৰত চৰকাৰে সিদ্ধান্ত গ্ৰহন কৰিছে। এই দিৱসৰ লগত সংগতি ৰাখি "হৰ ঘৰ ত্ৰিৰংগা " শীৰ্ষক এক কাৰ্যসূচী ভাৰত চৰকাৰে পালন কৰিবলৈ লৈছে। এই উদ্দেশ্যে সকলো ৰাইজ আৰু চৰকাৰী অনুষ্ঠান আৰু বিদ্যালয় সমূহক তিনিদিনীয়া কাৰ্যসূচীৰে এই "ঘৰে ঘৰে ত্ৰিৰংগা" কাৰ্যসূচী পালন কৰিবলৈ অসম চৰকাৰে অনুৰোধ জনাইছে । বিশেষকৈ বিদ্যালয় সমূহত ১৩ তাৰিখৰ পৰা উদযাপন কৰিবলৈ কোৱা তাৰ উপৰিও স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকন প্ৰতিযোগিতা, ৰচনা লিখা প্ৰতিযোগিতা এক সুন্দৰ পদক্ষেপ। তাৰ উপৰিও ইয়াৰ জড়িয়তে আমাৰ হস্তশিল্পীসকলো যথেষ্ট লাভবান হ'ব। ৭৫সংখ্যক স্বাধীনতা দিৱসৰ আগতীয়াকৈ শুভকামনা।

## ছাউথ পইণ্ট স্কুলত বিজেপি দক্ষিণ গুৱাহাটী মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- ৫ আগষ্ট শুক্ৰবাৰে গুৱাহাটী মহানগৰীৰ ছাউথ পইণ্ট স্কুল লাইব্ৰেৰী কক্ষত বিজেপি দক্ষিণ গুৱাহাটী মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে দক্ষিণ গুৱাহাটী মণ্ডল সভাপতি শক্তি সিং ডাঙৰীয়াই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দক্ষিণ গুৱাহাটী মণ্ডল সাধাৰণ সম্পাদক অনন্ত ৰাভাই। সভাত উপস্থিত থাকে অসম ৰাজ্যিকৰ কাৰ্যনিৰ্বাহক সদস্য তথা অসম বিত্তীয় নিগমৰ অধ্যক্ষ বিজয় কুমাৰ গুপ্তা, অসম ৰাজ্যিকৰ কাৰ্যনিৰ্বাহক সদস্য ৰবীন্দ্ৰ চন্দ্ৰ দে, গুৱাহাটী জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা, অসম ৰাজ্যিকৰ কাৰ্যনিৰ্বাহক সদস্য তথা খনিজ উন্নয়ন নিগমৰ উপাধ্যক্ষ অশোক ভৰালী, গুৱাহাটী মহানগৰ জিলা সমিতিৰ প্ৰাক্তন সভাপতি তথা গুৱাহাটী পৌৰনিগমৰ পৌৰপতি মৃগেন শৰণীয়া, গুৱাহাটী পৌৰনিগমৰ



উপপৌৰপতি স্মৃতা ৰয়, গুৱাহাটী মহানগৰ জিলা সমিতিৰ উপসভাপতি তথা দক্ষিণ গুৱাহাটী মণ্ডল প্ৰভাৰী দিলীপ মেধি, গুৱাহাটী মহানগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক বিজয় পাঠক, গুৱাহাটী মহানগৰ জিলা জনজাতি মৰ্চাৰ সভাপতি ৰঞ্জিত বংজাঙ দেৱৰ উপস্থিতিত শোক প্ৰস্তাৱ পাঠ কৰে দক্ষিণ গুৱাহাটী মণ্ডলৰ উপসভানেত্ৰী কৃষ্ণা দাসে। দক্ষিণ গুৱাহাটী মণ্ডল যুৱ মৰ্চাৰ সভাপতি উদ্দীপ্ত নয়ন মেধিয়ে যুৱ মৰ্চাৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে। দক্ষিণ গুৱাহাটী মণ্ডল অ' বি চি মৰ্চাৰ সাধাৰণ সম্পাদক পাপাই পালে অ' বি চি মৰ্চাৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে, ৰাজনৈতিক প্ৰস্তাৱ পাঠ কৰে দক্ষিণ গুৱাহাটী মণ্ডল উপসভানেত্ৰী প্ৰতিমা দাসে। অসম ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰবীন্দ্ৰ চন্দ্ৰ দে'ই ৰাজনৈতিক প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ৰাখে। ওপৰত উল্লেখিত বিভিন্ন পদবীত থকা ব্যক্তি সকলে পঞ্চনিষ্ঠা, সাংগঠনিক দিশ, বিভিন্ন আঁচনি, গুৱাহাটী মহানগৰীৰ উন্নয়ন, আত্মমন্থন, শক্তিশক্তিকেন্দ্ৰ, ঘৰ ঘৰ তিৰঙ্গা, ইত্যাদি বিষয়ত বিস্তৃত ভাৱে আলোকপাত কৰে।

## উৎকোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক



ৰঙিলী বাৰ্ত্তাসেৱা- উৎকোচ লোৱাৰ অভিযোগত পুনৰ দুৰ্নীতি নিবাৰক শাখাৰ জালত এজন। উৎকোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক। তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ অভিযানত গ্ৰেপ্তাৰ পঞ্জীয়ক গুৰু প্ৰসাদ খাটনিয়াৰ।পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক গুৰুপ্ৰসাদ খাটনিয়াৰ। দুৰ্নীতি নিবাৰক শাখাই হাতে-লোটে ধৰা পেলাই পঞ্জীয়কগৰাকীক।

# কম্পিউটাৰ নজনা চৰকাৰী কৰ্মচাৰীলৈ কঠোৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- দছপুৰ খেলপথাৰত লোককল্যাণ দিৱস উপলক্ষ্যে আয়োজন কৰা এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সচিবালয়ৰ সকলো কাম পেপাৰবিহীন কৰাৰ কথা উল্লেখ কৰি কয় যে ২ অক্টোবৰৰ পৰা অসম সচিবালয়ৰ সকলো কাম ডিজিটেল হ'ব। ডিজিটেল পদ্ধতিত কাম কৰিব লাগিব সচিবালয়ৰ কৰ্মচাৰীয়ে। ২ অক্টোবৰৰ পৰা অসমৰ কোনো বিষয়াই মেনুৱেল ফাইল নলয়। কোনোবাই যদি কিবা কামত অসম সচিবালয়লৈ আহে তেনেহ'লে সচিবালয়ৰ বাহিৰত কম্পিউটাৰত টাইপ কৰিলেই সকলো নিষ্পত্তি হ'ব। অসম সচিবালয়ত মাত্ৰ ২০ হাজাৰ ফাইল থবৰ বাবে ঠাই আছে। অসম সচিবালয়ৰ ৩ লাখ ২৪ হাজাৰ ফাইলৰ ২ লাখ ৭৪ হাজাৰ ফাইলৰ কাম নিষ্পত্তি কৰা হৈছে।" সচিবালয়ত কাম কৰা যিসকল কৰ্মচাৰীয়ে কম্পিউটাৰ নাজানে তেওঁলোকক কম্পিউটাৰ শিকি ল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে, "কম্পিউটাৰ শিকিব নোখোজা কৰ্মচাৰীক কোনেও কাম নিদিব। তেওঁলোকক আমাৰ মাজত নাই বুলি আমি ধৰি লম। সচিবালয়ত কাম কৰিলে ডিজিটেলৰ কাম কৰিব জানিবই লাগিব। "কম্পিউটাৰ নজনা কৰ্মচাৰীসকলৰ বাবে পৃথক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

# স্বৰ্ণজয়ৰ পাছতেই নয়নমণি শইকীয়াৰ চাকৰিত পদোন্নতি



ৰঙিলী বাৰ্তাসেৱা- ইতিহাস ৰচনা কৰি কমনৱেলথত স্বৰ্ণ পদক দখল কৰা সৰুপথাৰৰ নয়নমণি শইকীয়ালৈ আহিল আন এক সুখবৰ। নয়নমণি শইকীয়াৰ চাকৰিত পদোন্নতি। স্বৰ্ণজয়ৰ পাছতেই এতিয়া নয়নমণি শইকীয়াক সহকাৰী কমাণ্ডেণ্ট পদলৈ পদোন্নতি দিয়া হৈছে।পূৰ্বে বন সংৰক্ষণ বাহিনীৰ কনিষ্টবল আছিল নয়নমণি শইকীয়া।

# এখন বিয়াই দেখুৱাইছে আদৰ্শ



ৰঙিলী বাৰ্তাসেৱা- যি সময়ত সমাজত শাহু-বোৱাৰীক লৈ যি সংঘাত চলে তাৰ বিপৰীতে এখন বিয়াই দেখুৱাইছে আদৰ্শ। মঙ্গলদৈৰ পৰাগ নগৰত দেখা গ'ল এখন ব্যতিক্ৰমী বিয়া। কিন্তু এই বিয়া খন এতিয়া সামাজিক মাধ্যমত বিশেষ চৰ্চাৰ বিষয় হৈ পৰিছে। সমাজৰ বাবে এই বিয়াখনে দেখুৱাইছে আদৰ্শ। বৰপুত্ৰৰ মৃত্যুৰ পাছত বিধৱা বোৱাৰীয়েকক সৰু পুত্ৰৰে বিয়া পাতি দিলে শাহু-শহুৰে। মঙ্গলদৈ পৰাগ নগৰৰ জুলা চলিহা আৰু বংশীধৰ চলিহাৰ বৰ পুত্ৰই চলিত বৰ্ষৰ জানুৱাৰী মাহত ক'ভিডত আক্ৰান্ত হৈ মৃত্যুক সাৱটি লৈছিল। যাৰ ফলত বিধবা হৈছিল কম বয়সীয়া বোৱাৰী গৰাকী। কিন্তু বোৱাৰীক শাহু-শহুৰে নিজ ছোৱালীৰ দৰে সকলো সময়তে দি গৈছিল মনোবল। অৱশেষত তেওঁলোকে আলোচনা কৰি সৰু পুত্ৰক দিলে বোৱাৰীক বিয়াৰ প্ৰস্তাৱ। বোৱাৰীৰ পৰাও বিচাৰিলে সন্মতি। দুয়ো মান্তি হোৱাত দুয়োৰে সৰ্বসন্মতি সাপেক্ষে জ্যোতিপ্ৰসাদ চলিহা আৰু বোৱাৰী বন্দনা চলিহাৰ বিয়া পাতি দিলে। মঙ্গলদৈ সনাতন ধৰ্ম সভাৰ বিষ্ণু মন্দিৰত মাল্যাৰ্পন কৰি দুয়োৰে বিবাহ সম্পন্ন কৰা হয়। এই বিয়াক লৈ জুলা চলিহা আৰু বংশীধৰ চলিহাৰ সৰু পুত্ৰ জ্যোতিপ্ৰসাদ চলিহা আৰু বোৱাৰী বন্দনা চলিহা দুয়ো সুখী। উল্লেখযোগ্য যে এই বিয়া খন চচিয়েল মিডিয়াত ভাইৰেল হৈ পৰাৰ পাছতেই বিভিন্নজনে তেওঁলোকৰ দাম্পত্য জীৱন সুখৰ হোৱাৰ কামনাৰে শুভেচ্ছা জনাইছে।

# এতিয়াৰে পৰা যোগ্য পৰিয়ালেহে পাব অৰুণোদয়ৰ সুবিধা



ৰঙিলী বাৰ্তাসেৱা- অৰুণোদয় আঁচনিক লৈ মন্ত্ৰী অজন্তা নেওগৰ প্ৰতিক্ৰিয়া। নগাঁও জিলা পুথিভড়াঁলত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী পৰীক্ষণ আৰু পুনৰীক্ষণৰ প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰি অজন্তা নেওগে কয় যে, "এতিয়াৰে পৰা যোগ্য পৰিয়ালেহে পাব অৰুণোদয়ৰ নিযুক্তি। তিনি-চাৰিচকীয়া বাহন, ফ্ৰীজ আদি থকা পৰিয়ালৰ নাম অৰুণোদয় আঁচনিৰ পৰা কৰ্তন হ'ব। অৰুণোদয় আঁচনিত নাম সন্নিৱিষ্ট হোৱা অযোগ্য হিতাধিকাৰীৰ নাম কৰ্তন কৰিব চৰকাৰে। জুলাই-আগষ্টৰ ভিতৰত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ নাম পুনৰীক্ষণ হ'ব আৰু এই পুনৰীক্ষণৰ সময়ত অযোগ্য ব্যক্তিৰ নাম ধৰা পৰিলে সেই নাম কৰ্তন কৰা হ'ব। এই পুনৰীক্ষণৰ সময়ত অযোগ্য হিতাধিকাৰী ধৰা পৰে, তেন্তে তেনেধৰণৰ হিতাধিকাৰীৰ নাম লগে লগে কৰ্তন কৰা হ'ব। হিতাধিকাৰীৰ ঘৰত গাড়ী-মটৰ থাকিলেও তালিকাৰ পৰা সেইসকল হিতাধিকাৰীৰ নাম কৰ্তন হ'ব। বিপৰীতে কোনো যোগ্য লোকে যদি এতিয়াও আঁচনিখনৰ সুবিধা পোৱা নাই বা আঁচনিখনৰ হিতাধিকাৰী হ'ব পৰা নাই, তেনে লোকৰ নাম হিতাধিকাৰীৰ তালিকাত সন্নিৱিষ্ট কৰা হ'ব।

# শোণিতপুৰ জিলা দিৱসত মন্ত্ৰী পীয়ুষ হাজৰিকা



ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ জলসম্পদ আদি বিভাগৰ মন্ত্ৰী তথা শোণিতপুৰ জিলা প্ৰশাসনৰ অভিভাৱক মন্ত্ৰী পীয়ুষ হাজৰিকাই তেজপুৰত শোণিতপুৰ জিলা দিৱস উদযাপন অনুস্থানত অংশ গ্ৰহণ কৰে। অনুস্থানটোত বক্তব্য ৰাখি মন্ত্ৰীগৰাকীয়ে জিলা দিৱসৰ অনুস্থানত জিলা প্ৰশাসনৰ লগতে জিলাখনৰ সকলো ৰাইজকে অভিনন্দন জ্ঞাপন কৰে। বানৰজা আৰু উষা অনিৰুদ্ধৰ কাহিনীৰে প্ৰখ্যাত তেজপুৰ চহৰৰ ঐতিহ্যক লৈ আমি সকলোৱে গৰ্বিত বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী হিচাবে জিলাখনক সৰ্বাংগসুন্দৰ কৰি গঢ়ি তুলিবৰ বাবে সকলো প্ৰয়াস কৰিব বুলি প্ৰকাশ কৰে। তেজপুৰবাসী ৰাইজ সাংস্কৃতিক মনৰ অধিকাৰী বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আনহাতে মন্ত্ৰীগৰাকীয়ে বিগত কাৰ্যকালত নগৰ উন্নয়নৰ ৰাজ্যিক মন্ত্ৰী হৈ থাকোতে তেজপুৰ পৰিচ্ছন্ন চহৰ হিচাবে স্বীকৃত হোৱাৰ কথা উল্লেখ কৰি তেজপুৰবাসীক ইয়াৰ বাবে অভিনন্দন জ্ঞাপন কৰে। জিলা প্ৰশাসনৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে আয়োজিত শোণিতপুৰ জিলা দিৱসত মন্ত্ৰীগৰাকীৰ লগতে জলসিঞ্চন মন্ত্ৰী অশোক সিংহল, বিধায়কসকল পদ্ম হাজৰিকা, গণেশ কুমাৰ লিম্বু, পৃথ্বীৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী, ৰাজ্যখনৰ তথ্য আয়ুক্ত সমুদ্ৰ গুপ্ত কাশ্যপ, অৱসৰপ্ৰাপ্ত অধ্যাপক পুৰ্ণেশ্বৰ নাথ, সাহিত্য অকাডেমী বঁটাপ্ৰাপক বিশিষ্ট লেখক ছবিলাল উপাধ্যায়, কবি-লেখিকা ড° তপতী বৰুৱা কাশ্যপ, বিশিষ্ট সমাজকৰ্মী বাতাচ ওৱাং, জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিন, তেজপুৰ জিলা পৌৰসভাৰ পৌৰপতি প্ৰজ্ঞানা ভট্টাচাৰ্য আৰু জিলাখনৰ গণ্য মান্য ব্যক্তিসকল উপস্থিত আছিল।

# জগদীপ ধনখৰ ভাৰতৰ

ৰাজস্থান বিশ্ববিদ্যালয়ৰ মহাৰাজা কলেজত নামভৰ্তি কৰে আৰু তাৰ পৰাই পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰে আৰু ১৯৭৮ চনত আইনৰ স্নাতক ডিগ্ৰী লাভ কৰে। শিক্ষা সম্পূৰ্ণ কৰি ধনখৰে ৰাজস্থানৰ বাৰ কাউন্সিলৰ অন্তৰ্ভুক্ত হৈ অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ৰাজস্থান হাইক ট বাৰ এছ চিয়েচনৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰা ধনখৰে পিছলৈ সক্ৰিয় ৰাজনীতিত পদাৰ্পণ কৰি ১৯৮৯ চনত ঝুনঝুনু লোকসভা সমষ্টিৰ পৰা নিৰ্বাচিত হয়। জনতা দলক প্ৰতিনিধিত্ব কৰা ধনখৰে ১৯৯০ চনত কেন্দ্ৰীয় মন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰে। পিছলৈ ১৯৯৩ চনত ৰাজস্থানৰ ঈশানগড়ৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয়। ৰাজস্থান বিধানসভাৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ অন্তত ২০০৩ চনত ধনখৰে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। ৰাজনৈতিক পৰিক্ৰমাৰ মাজতে ২০১৯ চনৰ ৩০ জুলাইত ধনখৰক পশ্চিমবংগৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়ে। ২০২২ চনৰ ১৭ জুলাইত ধনখৰে পশ্চিমবংগৰ ৰাজ্যপালৰ পদবীৰ পৰা পদত্যাগ কৰে আৰু এন ডি এৰ উপৰাষ্ট্ৰপতি প্ৰাৰ্থী হিচাপে প্ৰচাৰ অভিযানত নামে।

# ক'ভিডৰ বুষ্টাৰ ড'জৰ অভিযান অন্ত পৰিলেই আহিব নাগৰিকত্ব সংশোধনী আইন (কা)ঃ গৃহ মন্ত্ৰী অমিত শ্বাহ



ৰঙিলী বাৰ্ত্তাসেৱা- নাগৰিকত্ব সংশোধনী আইন (কা)খন ক'ভিড-১৯ৰ ভেকচিনৰ বুষ্টাৰ ড'জ বা সতৰ্কতামূলক পালি দিয়াৰ অভিযান শেষ হ'লেই বলবৎ কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে 'কা' বলবৎ কৰাৰ বিষয়ে এইদৰে কয়। উল্লেখযোগ্য যে, পশ্চিম বংগ বিধানসভাৰ বিৰোধী দলপতি তথা বিজেপি নেতা সুভেন্দু অধিকাৰীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি তেওঁক অতি সোনকালে নাগৰিকত্ব আইন (কা) কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। অধিকাৰীয়ে কৈছিল যে, 'কা' কাৰ্যকৰীকৰণ পশ্চিম বংগৰ বাবে গুৰুত্বপূৰ্ণ কিয়নো ৰাজ্যখনত বহু সংখ্যক লোক আছে যি ইয়াৰ ব্যৱস্থাৰ পৰা লাভান্বিত হ'ব পাৰে। গৃহমন্ত্ৰী অমিত শ্বাহে অধিকাৰীক আশ্বাস দি কয় যে, " ক'ভিড সাৱধানতা পালি শেষ হোৱাৰ পিছত 'কা'ৰ নিয়মবোৰ প্ৰস্তুত কৰা হ'ব। ক'ভিড-১৯ৰ ভেকচিনৰ বুষ্টাৰ ড'জ বা সতৰ্কতামূলক পালি দিয়াৰ অভিযান শেষ হ'লেই বলবৎ কৰা হ'ব।আফগানিস্তান, পাকিস্তান আৰু বাংলাদেশৰ পৰা অহা অবৈধ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চি আৰু খ্ৰীষ্টান প্ৰব্ৰজনকাৰীয়ে এই আইনৰ ফলত ভাৰতৰ নাগৰিকত্ব লাভ কৰিব। ইয়াৰ পূৰ্বেও গৃহ মন্ত্ৰী অমিত শ্বাহে মে' মাহত পশ্চিম বংগত এক ৰেলী সম্বোধন কৰি কৈছিল যে, ক'ভিড মহামাৰী সমাপ্ত হোৱাৰ পিছত আইনখন কাৰ্যকৰী কৰা হ'ব।

# সৰুসজাইত ৭ আগষ্টত জেভলিন দিৱস প্ৰতিযোগিতা




ৰঙিলী বাৰ্ত্তাসেৱা- অসম এথলেটিকছ এছ'চিয়েচন আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যুটীয়া উদ্যোগত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় জেভেলিন থ্ৰ' প্ৰতিযোগিতা। ভাৰতৰ গৌৰৱ জেভেলিন থ্ৰৱাৰ নিৰজ ছোপ্ৰাই ২০২১ বৰ্ষৰ অলিম্পিকত সোণৰ পদক লাভ কৰা ৭ আগষ্টৰ দিনটোত ভাৰতবৰ্ষৰ প্ৰতিটো প্ৰান্তত এই জেভেলিন দিৱস প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীতো ল'ৰা-ছোৱালী উভয়ৰে ১৪বছৰ অনুৰ্ধ্ব, ১৬বছৰ অনুৰ্ধ্ব, ১৮বছৰ অনুৰ্ধ্ব, ২০বছৰ অনুৰ্ধ্ব আৰু পুৰষ-মহিলা উভয়ৰে মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহনকাৰী প্ৰতিযোগীসকলে ৭আগষ্টৰ পুৱা ৭ বজাত সৰুসজাই ষ্টেডিয়ামত খেলৰ বাবে উপস্থিত হোৱাৰ লগতে বয়সৰ প্ৰমানপত্ৰ লগত আনিবলৈ উদ্যোক্তাই অনুৰোধ জনাইছে। প্ৰতিযোগিতাৰ কাৰ্যসূচীত ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতি উদ্যোক্তাই আন্তৰিকতাৰে কামনা কৰিছে।

# ট'ৰেণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ নিৰ্বাচিত ৰীমা দাসৰ 'তৰাজ হাজবেণ্ড'

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ছবি জগতলৈ আন এক সুখবৰ। বিশ্বৰ মানচিত্ৰত উজলিছে অসমৰ ছবি নিৰ্মাতা। ট'ৰেণ্টো আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত বিশ্ববাসীৰ বাবে মুকলি হ'ব ৰীমা দাসৰ নতুন ছবি "তৰাজ হাজবেণ্ড"। ট'ৰেণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত (টিআইএফএফ) বিশ্ব প্ৰিমিয়াৰৰ বাবে নিৰ্বাচিত হৈছে ভিলেজ ৰকষ্টাৰ্ছ খ্যাত ৰীমা দাসৰ দ্বাৰা প্ৰযোজিত ছবি 'তৰাজ হাজবেণ্ড'। ৰীমা দাসৰ ছবিখন বিশ্বৰ দশম শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে বাছনি কৰা হৈছে। 'তৰাজ হাজবেণ্ড' হৈছে



একমাত্ৰ ভাৰতীয় চলচ্চিত্ৰ যাক ২০২২ বৰ্ষৰ বাবে এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। ৱৰ্ল্ড প্ৰিমিয়াৰৰ বাবে বাছনি কৰা দহখন চলচ্চিত্ৰৰ ভিতৰত 'তৰাজ হাজবেণ্ড' অন্যতম। ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে অভিজিত দাস আৰু তৰালী কলিতাই। উল্লেখযোগ্য যে, 'তৰাজ হাজবেণ্ড' ছবিখন হৈছে এজন ব্যৱসায়ী দেউতাকৰ জীৱন কাহিনী। যাৰ জনসম্পৰ্ক আৰু ব্যক্তিগত সম্পৰ্ক কৰ'না ভাইৰাছৰ বাবে ঘোষণা কৰা লকডাউনৰ ফলত প্ৰভাৱিত হয়।

# প্ৰবীণ অভিনেতা মিথিলেশ চতুৰ্বেদী আৰু নাই


ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰবীণ অভিনেতা মিথিলেশ চতুৰ্বেদী আৰু নাই। অভিনেতা মিথিলেশ চতুৰ্বেদীৰ ৩ আগষ্টত তেওঁৰ গৃহচহৰ লক্ষ্ণৌত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। বৃহস্পতিবাৰে ৰাতিপুৱা, চলচ্চিত্ৰ নিৰ্মাতা হনসল মেহতাই ইনষ্টাগ্ৰামত গৈ দুৰ্ভাগ্যজনক খবৰটো শ্বেয়াৰ কৰে। মিথিলেশ চতুৰ্বেদীয়ে কোই মিল গয়া, আছোকা, গদাৰ এক প্ৰেম কথা আৰু ৰেডিৰ দৰে চলচ্চিত্ৰত



অভিনয় কৰিছিল। নীলি চত্ৰী ৱালে, কয়ামতৰ দৰে টিভি অনুষ্ঠান কৰা প্ৰবীণ অভিনেতা মিথিলেশ চতুৰ্বেদীক বহুতো টিভি অনুষ্ঠানতো দেখা গৈছিল।

# বিশিষ্ট নৃত্যশিল্পী গৰিমা হাজৰিকাৰ বিয়োগত দল-সংগঠনৰ শোক

ৰঙিলী বাৰ্ত্তাসেৱা- সংগীত নাটক অকাডেমি বঁটা বিজয়ী, শাস্ত্ৰীয় নৃত্য পটিয়সী, সত্ৰীয়া আৰু ওডিছী নৃত্য বিশাৰদ গৰিমা হাজৰিকা (৮৪)ৰ ভিন-ভিন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰী মন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ প্ৰাক্তন উপ-সভাপতি পদ্মশ্ৰী ড° সূৰ্য হাজৰিকা, সাহিত্য সভাৰ প্ৰাক্তন সহঃ সম্পাদক কমল কলিতা, অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক অৱনী ৰঞ্জন



পাঠক, বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মা, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, সাংস্কৃতিক গোষ্ঠী "সুৰতীৰ্থ", গুৱাহাটী জিলা বড়ো সাহিত্য সভাৰ সম্পাদক গোলাপ বড়ো, পৰাগজ্যোতি প্ৰকাশন, দক্ষিণ কামৰূপ মঞ্চৰ অধ্যক্ষ মদন দাস, গীতিকাৰ-কবি শচীন দাস প্ৰভৃতি দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোক-সন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা বেদনা জ্ঞাপন কৰে। সকলোৱে একেমুখে গৰিমা হাজৰিকাৰ বিশাল সাংস্কৃতিক প্ৰতিভাক শ্ৰদ্ধাৰে স্মৰণ কৰে।

# নৃত্যশিল্পী গৰিমা হাজৰিকাৰ বিয়োগত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰশোক প্ৰকাশ

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বিশিষ্ট সত্ৰীয়া তথা ওডিছী নৃত্য পটীয়সী তথা সন্মানীয় সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক গৰিমা হাজৰিকাৰ বিয়োগত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই গভীৰ শোক প্ৰকাশ কৰিছে। দলৰ মুখ্য কাৰ্যালয়ৰ পৰা সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক শোক বাৰ্তাত ভৱেশ কলিতাই শিল্পী গৰাকীৰ মৃত্যুত অসমে এক বলিষ্ঠ সাংস্কৃতিক সম্পদ হেৰুৱালে বুলি মন্তব্য কৰিছে। তেওঁ কয় যে অসমৰ কলা-সাংস্কৃতিক জগতখনলৈ গৰিমা হাজৰিকাই আগবঢ়াই যোৱা অৱদান অসমৰ জনসাধাৰনে চিৰদিন মনত ৰাখিব। কলিতাই বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে।

# পথভ্ৰষ্ট বিৰোধী আৰু ‘বিজেপি চিষ্টেম’

ড. হেমন্ত ৰাজবংশী




যোৱা ২৪ জুলাই তাৰিখে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ পৰা চাৰিজন কংগ্ৰেছ সাংসদক নিলম্বিত কৰাৰ এদিনৰ পিছতে ৰাজ্যসভাতো অসংসদীয় আচৰণৰ বাবে দেশত নজিৰ সৃষ্টি কৰি গৰিষ্ঠসংখ্যক ১৯ গৰাকী সাংসদক এসপ্তাহৰ বাবে নিলম্বিত কৰা হয়। ইয়াৰ ভিতৰত তৃণমূল কংগ্ৰেছৰ ৭ জন, ডি এম কেৰ ৬ জন, টি আৰ এছৰ ৩ জন, চি পি এমৰ ২ জন আৰু চি পি আইৰ ১ জন। উল্লেখযোগ্য যে যোৱা বছৰৰ ২৯ নবেম্বৰতো ৰাজ্যসভাৰ পৰা নিৰাপত্তাৰক্ষীক আক্ৰমণ কৰা আৰু উদ্দেশ্য প্ৰণোদিতভাবে উন্মত্ত ৰূপ লোৱাৰ অভিযোগতো ১২ জন বিৰোধী দলৰ সাংসদক বহিস্কাৰ কৰা হৈছিল। ইয়াৰো আগতে ২০২০ চনৰ ২১ ছেপ্টেম্বৰত ৮ জন সাংসদক নিলম্বিত কৰা হৈছিল। ২০১৫ চনত সেইসময়ৰ অধ্যক্ষা সুস্মিতা মহাজনে অসংসদীয় আচৰণৰ বাবে ২৫ জন সাংসদক নিলম্বিত কৰিছিল। যোৱা ১৮ জুলাইৰ পৰা আৰম্ভ হোৱা ৰাজ্যসভাৰ অধিবেশনৰ প্ৰথম দিনটোৰ পৰাই অসংসদীয় আচৰণৰে উপাধ্যক্ষ হৰিবংশ নাৰায়ণৰ অনুৰোধক উপেক্ষা কৰি নিজৰ নিজৰ আসনলৈ উভতি নগৈ হুলস্থুলীয়া পৰিবেশ সৃষ্টি কৰাৰ বাবে এই ১৯ গৰাকী সাংসদক নিলম্বিত কৰা হয়। সংসদ আৰু নিৰ্বাচিত সাংসদৰ পৰা সৰ্বসাধাৰণ ৰাইজে কৰা আশা বহু ক্ষেত্ৰত ফুটুকাৰ ফেনত পৰিণত হয়। আমি যদি ভালকৈ চাওঁ, দেখিম যে অকল ভাৰততে নহয় বিশ্বৰ বহু ৰাষ্ট্ৰত সংসদৰ এনে অসংসদীয়, অমাৰ্জিত আচৰণৰ বাতৰিয়ে মাজে মাজে বাতৰি কাকতৰ শিৰোনামা দখল কৰি আহিছে। লেনিনৰ ‘দ্য ষ্টেইট এ্যণ্ড ৰিৱলুছ্ন’ৰ ৩ নম্বৰ অধ্যায়ত তেওঁ লিখিছে-“ Marx knew how to break with anarchism ruthlessly for its inability to make use even of the ‘pigsty’ of bourgeois parliament”. সহজ ভাষাত, লেনিনে সংসদক গাহৰিৰ গড়াঁলৰ লগত তুলনা কৰিছে। আমাৰ কাষেবাৰে যদি চাওঁ, দেখিম যে সংসদত গাহৰিৰ গড়াঁলৰ দৰে পৰিবেশ সৃষ্টিত পূব এছিয়াৰ দেশ টাইৱানৰ দুৰ্ণাম সৰ্বজনবিদীত। আক্ষৰিকভাৱেও ২০২০ চনত টাইৱানৰ সংসদত বিৰোধী কুমিঙতাঙ (KMT) দলৰ সদস্যসকলে আমেৰিকাৰ পৰা গাহৰি আমদানি কৰাৰ বিল এখনকৈ কৰা প্ৰতিবাদৰ অংশস্বৰূপে সদনৰ ভিতৰলৈ বাল্টিত মৃত গাহৰিৰ নাড়ী-ভুৰ তেজ কঢ়িয়াই আনি চৰকাৰী পক্ষৰ গালৈ দলিয়াই বিশ্বতে নজিৰ সৃষ্টি কৰিলে। ২০২১ চনৰ ২২ ডিচেম্বৰত ঘানাৰ সংসদত ‘ইলেক্ট্ৰনিক কমিউনিকেইচন টেক্স’লৈ হোৱা এক বিতৰ্কৰ শেষত অনুষ্ঠিত ভোটদানত দুয়োপক্ষৰ ভোট সমান সমান হোৱাত বিৰোধী আৰু শাসকীয় পক্ষৰ মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। কথাৰ কটাকটি, হতাহতি আৰু মাৰপিটৰ এই ভিডিঅ’ই সামাজিক মাধ্যম আৰু প্ৰচাৰ মাধ্যমত খলকনি তুলিছিল। ২০২১ ত আৰ্মেনিয়াৰ সংসদত বিৰোধী দলৰ সদস্যই চকীমেজ দলিয়াই, অধ্যক্ষৰ গালৈ পানীৰ বটল দলিয়াই ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। আমি যদি আৰু অলপ পিছুৱাই যাওঁ, দেখিমযে ২০১৫ ত কছ’ভৰ সংসদতো একেধৰণৰ ঘটনা সংঘটিত হৈছিল য’ত বিৰোধী পক্ষই ‘টিয়েৰ গেছ’, জলকীয়াৰ ‘স্প্ৰে’ আৰু শিলগুটি দলিয়াই চৰকাৰী পক্ষক আক্ৰমণ কৰিছিল। ২০১৫ চনতেই চুবুৰীয়া নেপালতো একেধৰণৰ ঘটনা সংঘটিত হৈছিল। সদনত চকীমেজ, মাইক্ৰফোন দলিওৱাৰ ইতিহাস ভাৰততো আছে। তামিলনাডু, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আদি ৰাজ্যৰ সাংসদে কুখ্যাতি আৰ্জি যোৱা এনে অনেক উদাহৰণ আছে। ১৯৮৯ চনৰ ২৫ মাৰ্চত তামিলনাডুৰ বিধানসভাত সংঘটিত সেই ঘৃণনীয় ঘটনাৰ কথা ইতিহাসত ক’লা আখৰে লিখা থাকিব। বিৰোধী দলপতি জয়াললিতাই মুখ্যমন্ত্ৰী এম কৰুণানিধিক ফোন টেপিঙৰ বাবে অভিযুক্ত কৰাকলৈ আৰম্ভ হোৱা হুলস্থুলত এ আই এ ডি এম কেৰ সাংসদ এজনে বেঞ্চ এখন থেলামাৰি দিয়াত কৰুণানিধিয়ে নিয়ন্ত্ৰন হেৰুৱাই লুটিখাই পৰে। লগে লগে দুই পক্ষৰ মাজত মাইক টনাটনি, পে’পাৰ ৱেইট দলিওৱাদলি আদি আৰম্ভ হ’ল। তাৰ মাজতে মন্ত্ৰী ৱিৰাপাণ্ডু আৰ্মুগামে মুৰত গুৰুতৰ ভাবে আঘাতপ্ৰাপ্ত হয়। ইফালে জয়াললিতাই সদনৰ পৰা ওলাই যাব বিছৰাত মন্ত্ৰী ডুৰাই মুৰুগানে তেওঁৰ শাৰীত ধৰি টনাটনি কৰাত এটা অতি অশোভনীয় পৰিস্থিতিৰ উদ্ভৱ হয়। ১৯৯৯ চনতো এ আই এ ডি এম কেৰ নেতা আৰ থামাৰিকানে কৃষিমন্ত্ৰী ৰিৰাপাণ্ডি আৰ্গুমুগামৰ নাকত ঘুচিয়াই নাক ভাঙি তেজ উলিয়াই দিয়াত জে’ললৈ যাব লগা হৈছিল। ২০২০ ৰ মাৰ্চত লোকসভাত দিল্লীত ধৰ্মীয় হিংসাত ৪৫ জন লোকৰ প্ৰাণযোৱাক কেন্দ্ৰ কৰি হোৱা প্ৰতিবাদৰ ফলত হোৱা হতাহতিত এগৰাকী দলিত সম্প্ৰদায়ৰ মহিলা সাংসদো নিগ্ৰহীত হৈছিল বুলি তুমুল বিতৰ্কৰ সূচনা হৈছিল। অধ্যক্ষ ওম বিৰলাই সাংসদ সকলক দেশৰ গণতন্ত্ৰৰ মন্দিৰত নিয়ম শৃংখলা ৰক্ষা কৰি চলিবৰ বাবে আহ্বান জনাইছিল। লেনিনৰ ‘গাহৰিৰ গড়াঁল’ৰ পৰা ওম বিৰলাৰ ‘গণতন্ত্ৰৰ মন্দিৰ’, এই দুই ভাষ্যত প্ৰচণ্ড নিৰাশাবাদৰ পৰা গভীৰ আশাবাদৰ ৰেঙনি দেখিবলৈ পোৱা

(আঠপৃষ্ঠাত চাওক)

# ব্ৰহ্মকুণ্ড আৰু পৰশুৰামকুণ্ড

অঞ্জুমণি শইকীয়া



কৈলাসৰ ওচৰত মৰ্যাদা পৰ্ব্বতত শান্তনু ঋষিয়ে তেওঁৰ পত্নী অমোঘাৰ সৈতে আশ্ৰমত বাস কৰিছিল। এদিন শান্তনুৰ অনুপস্থিতিত ব্ৰহ্মা আশ্ৰমত উপস্থিত হৈ অমোঘাৰ সৌন্দৰ্যত মোহিত হৈ আলিঙ্গন প্ৰাৰ্থনা কৰে। অমোঘা মান্তি নোহোৱাত ব্ৰহ্মাই ধৰিবলৈ খেদি যায়। অমোঘাই লৰি গৈ আশ্ৰমৰ ভিতৰলৈ সোমাই দুৱাৰত ডাং দিয়ে আৰু ব্ৰহ্মাক শাপ দিম বুলি কয়। শাপৰ ভয়ত ব্ৰহ্মা পলাই যায় যদিও অতিকৈ কামোন্মত্ত হোৱাত তেওঁৰ বীৰ্য পৃথিৱীত পৰে। শান্তনুৱে ঘূৰি আহি তেওঁৰ আশ্ৰমৰ মুখত হাঁহৰ খোজ (ব্ৰহ্মাৰ বাহন ৰাজহাঁহ) আৰু তেজোময় বীৰ্য দেখি আচৰিত হৈ পত্নীক তাৰ কাৰণ সোধে। অমোঘাই কয় যে চাৰিমুখীয়া কোনো এজন ৰাজহাঁহত উঠি আহি তেওঁক বলাৎকাৰ কৰিব বিচৰাত শাপ দিম বুলি কোৱাত ভয়ত পলাই যায়। শান্তনুৱে ধ্যান কৰি পালে যে, জগতৰ হিতৰ কাৰণে ব্ৰহ্মাই বীৰ্য পেলাই থৈ গৈছে। শান্তনুৱে অমোঘাক বীৰ্য পান কৰিবলৈ কয়। কিন্তু পতিব্ৰতা অমোঘাই বীৰ্য পান কৰিবলৈ টান পালে যদিও পতি বাক্য অৱজ্ঞা কৰিব নোৱৰা হ’ল। সেই কাৰণে তেওঁ ঋষিক বীৰ্য পান কৰি প্ৰসাদস্বৰূপে অৱশিষ্ট অংশ তেওঁক পান কৰিবলৈ দিবৰ বাবে প্ৰাৰ্থনা জনালে। ঋষিয়ে তাকে কৰিলে। ব্ৰহ্মাবীৰ্য পান কৰাত যথা সময়ত অমোঘাৰ এটি তেজোময় পুত্ৰ জন্ম হয়। ব্ৰহ্মাৰ পুত্ৰ কাৰণে

(আঠপৃষ্ঠাত চাওক)

# নব্বৈত ভৰি দিলে পদ্মশ্ৰী যতীন গোস্বামীয়ে

অঞ্জু শাণ্ডিল্য



২৭ জুলাইৰ পুৱাবেলাতে মানুহজনে ফোন কৰিছিল। ভাবিলোঁ, আমাৰ কিবা লেখা চাগে ‘অসমীয়া প্ৰতিদিন’ত প্ৰকাশ হৈছে। কাৰণ মানুহজন ‘অসমীয়া প্ৰতিদিন’ৰ নিয়মীয়া পাঠক। আমাৰ লেখা প্ৰকাশ হ’লেই প্ৰায় ফোন কৰে, কিন্তু সেইদিনা কৈছিল- ‘অঞ্জু, দুই আগষ্টত আগবেলাতে আমাৰ ঘৰলৈ আহিবা। জন্মদিন বুলি বিশেষ দুজনমানক মাতিছো।’

মনটো ভাল লাগিল। ২০২০ চনৰ পৰা ক’ভিডকেন্দ্ৰিক পৰিৱেশৰ বাবে মানুহজনক লগেই পোৱা নাই। সদায়েই বিহু, পূজা, নৱবৰ্ষ, জন্মদিনত ফোনযোগেৰেই সেৱা, শুভেচ্ছা, ওলগ জনালে কয়- ‘আহিবা নেকি? পাৰা যদি আহিবাচোন।’ নাই, যোৱা দুবছৰে এদিনো যাব নোৱাৰিলো। লকডাউন, ক’ভিড প্ৰট’কল মানি আটাইবোৰ ঘৰতে সোমাই থকাত যোৱাই নহ’ল। আৰু এতিয়া আগৰদৰে ক’ভিড-১৯ৰ সন্ত্ৰাস, ভয়াবহতা নাই বাবে ২ আগষ্টত যাবলৈ মনতে থিৰাং কৰিলো। এইবাৰ ৯০ বছৰত ভৰি দিব হেনো, কিন্তু আমাৰ চকুৰ আগত মানহজনৰ ডেকা কালৰ ছবিখনহে ভাহি উঠে। জানো, আজি জন্মদিন হ’লেও ‘অসমীয়া প্ৰতিদিন’ কাকতখনত চকুফুৰাৰই। আৰু এদিন কথা প্ৰসংগত তেখেতে কৈছিল যে প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনৰ বহু নেতা- পালিনেতা, বিষয়া, মন্ত্ৰীৰ অপকৰ্ম, দুৰ্নীতি উদঙাই দিয়াৰ লগতে কাকতখনে এক নতুন ধাৰা সৃষ্টি কৰিছিল। প্ৰতিষ্ঠান বিৰোধী দৃষ্টিভংগী, সাধাৰণ জনতাৰ কথা প্ৰকাশ কৰাৰ বাবেও কাকতখন তেখেতৰ প্ৰিয়। সেয়ে জন্মদিন উপলক্ষে এই কাকততে তেখেতলৈ ওপজা দিনৰ ওলগ জনাই দুআষাৰ লিখিলো-

ধকধকীয়া ধুতী-পাঞ্জাবী পৰিহিত উজ্জ্বল গৌড়বৰ্ণৰ এজন চালে চকুৱোৱা চফল ডেকা। বাগিচাই বাগিচাই, চহৰে-নগৰে, গাঁৱে-গাঁৱে থিয়েটাৰ লৈ ফুৰে- ‘ভাস্কৰ থিয়েটাৰ’। ‘ভাস্কৰ থিয়েটাৰ’ৰ নৃত্য- নাটিকা, নাটক, সংগীতলেখা, দলীয় নৃত্য আদি সকলো পৰিচালনা কৰে ডেকাজনে। বহু সংগীতলেখা, নৃত্য-নাটিকা, দলীয় নৃত্যৰ গীত-মাত ৰচনা কৰাৰ লগতে নৃত্য পৰিচালনা- নিৰ্দেশনাৰ কামো কৰে। বিশেষকৈ চাহ বাগিচাসমূহত থিয়েটাৰ প্ৰদৰ্শন কৰোঁতে একোটা ঝুমুৰ নৃত্য থাকিবই আৰু চাহ বাগানীয়া দোৱান তথা কথিত ভাষাত ৰচনা কৰা গীত মাতবোৰো অন্তৰ্ভুক্ত কৰে। ঝুমুৰ নাচৰ আৰ্হিত ৰচনা কৰা ‘বাসন্তী চাদি’ শীৰ্ষক সত্তৰৰ দশকতে বাগিচাসমূহত প্ৰদৰ্শন কৰা নৃত্য-নাটিকাখনৰ কথা দৰ্শকে আজিও


(আঠপৃষ্ঠাত চাওক)

# ২ ছেপ্টেম্বৰত চিত্ৰগৃহলৈ নতুন অসমীয়া চলচ্চিত্ৰ 'জনকনন্দিনী'

ৰঙিলী বাৰ্ত্তাসেৱা- 'নিজি প্ৰডাকচন'ৰ বেনাৰত নিৰ্মিত বহুপ্ৰত্যাশিত অসমীয়া চলচ্চিত্ৰ 'জনকনন্দিনী'২ ছেপ্টেম্বৰত চিত্ৰগৃহলৈ আহিব। ৰিংকু দাসে প্ৰযোজনা কৰা ছবিখনিৰ পৰিচালক কুঞ্জ লতা গগৈ দাস। মুখ্য সহকাৰী পৰিচালক অৰিন্দম কাশ্যপ। অসমৰ লোককৃষ্টি তথা সংস্কৃতিক একপ্ৰকাৰে বেপাৰলৈ পৰিণত কৰি কেনেদৰে একাংশ লোকে সাতামপুৰুষীয়া কলা-সংস্কৃতিক বিকৃত কৰিছে তাৰেই আলমত নিৰ্মাণ কৰা হৈছে 'জনকনন্দিনী'। কুঞ্জ লতা গগৈ দাসৰ পৰিকল্পনা আৰু কাহিনীৰ আলমত ছবিখনিৰ চিত্ৰনাট্য আৰু সংলাপ ৰচনা কৰিছে বিষ্ণুজ্যোতি সন্দিকৈ, অৰিন্দম কাশ্যপ আৰু অমিতাভ বৰাই। সংগীত পৰিচালক নন্দ বেনাৰ্জী। সংগীত ব্যৱস্থাপনা অনুপ শৰ্মাৰ। নৃত্যপ্ৰধান ছবিখনিৰ নৃত্য পৰিচালক নৃত্যাচাৰ্য পদ্মশ্ৰী বঁটাপ্ৰাপ্ত যতীন গোস্বামী। সাজসজ্জা কুঞ্জ লতা গগৈ দাসৰ। ৰূপসজ্জা ভূমিকা তালুকদাৰৰ। মূলতঃ মাজুলী আৰু গুৱাহাটীৰ আশে-পাশে দৃশ্যগ্ৰহণ কৰা 'জনকনন্দিনী'ৰ চিনেমাট'গ্ৰাফাৰ পাপু ডেকা। সঞ্জীৱ তালুকদাৰে সম্পাদনা কৰা ছবিখনিৰ ডি আই কালাৰিষ্ট মুম্বাইৰ সুজিত বৰা। ভিএফএক্স কৰিছে ধৰ্মেন্দ্ৰ দাসে। মিক্স এণ্ড মাষ্টাৰ কৰিছে মুম্বাইৰ জ্যোতি চেতিয়াই। অপূৰ্বজ্যোতি ভূঞা, প্ৰতিমা দাসে ৰচনা কৰা 'জনকনন্দিনী'ৰ গীতসমূহত কণ্ঠদান কৰিছে জুবিন গাৰ্গ, অংগৰাগ মহন্ত, জুবলী বৰুৱা, মধুস্মিতা ভট্টাচাৰ্য আৰু সত্যসন্ধ্যাই। ছবিখনিৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে- গুঞ্জন ভৰদ্বাজ, নন্দিনী কাশ্যপ,




অৰুণ নাথ, মাধুৰিমা চৌধুৰী, ৰূপম বৰুৱা, ৰঞ্জীৱলাল বৰুৱা, সীমাশ্ৰী বৰা, পংকজ পূজাৰী (সদ্যপ্ৰয়াত), অপৰ্ণা দত্ত চৌধুৰী, নীলাক্ষী শইকীয়া, মুন বৰকটকী, বৰিশ দত্ত, গৌৰাং বৰদলৈ, গৌতম বৰুৱা, ৰঞ্জিত ভূঞা আদি। উল্লেখ্য যে গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি ছবিখনিৰ মুক্তিৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা কৰে 'জনকনন্দিনী'ৰ প্ৰয়োজকগোষ্ঠীয়ে।

# একবিংশ শতিকা গৰকা অন্ধবিশ্বাস.. নির্মূলকৰণ কিদৰে সম্ভৱ ?

মানসী মিশ্ৰ



এইখন অসময়তে ঘটি গৈছে এই ভয়ংকৰ, শিহৰণকাৰী ঘটনাটো, যিয়ে সভ্য সমাজত বাস কৰি থকা প্ৰতিজন মানুহৰ মন মগজু স্তব্ধ কৰিছিল। অন্ধ বিশ্বাসৰ কৰাল গ্ৰাসত পৰি এটি পৰিয়ালে সংঘটিত কৰিলে এই ভয়াবহ ঘটনা, যি ভয়ংকৰ দৃশ্যসমূহ চকুৰে চোৱাৰ পিছত, কাণেৰে শুনাৰ পিছত মানুহে নিজৰ চকু কাণকে বিশ্বাস কৰিবলৈ টান পাইছে। একবিংশ শতিকাত উপলব্ধ আমি সকলোৱে বিভিন্ন সময়ত বিজ্ঞান সন্মত মানসিকতাৰ অধিকাৰী হোৱাৰ কথা কওঁ, সচাঁকৈয়ে বিজ্ঞান আৰু প্ৰযুক্তিৰ উপাদানসমূহে আমাৰ দৈনন্দিন জীৱন যাত্ৰাত শিশুৰ পৰা বৃদ্ধালৈকে সকলো মানুহৰ জীৱনৰ দৈনন্দিন কাম কাজবোৰত এৰাব নোৱাৰা ধৰণে স্পৰ্শ কৰি যায়। মোবাইল ফোনটো হাতত নাথাকিলে, ইণ্টাৰনেটটো দিনটোৰ ভিতৰত এবাৰ চাব নোৱাৰিলে, টি. ভিৰ সন্মুখত দিনটোৰ ভিতৰত এবাৰো বহিব নোৱাৰিলে সেই সময়খিনিৰ বাবে নিজকে অচল যেন লাগে। বিজ্ঞান প্ৰযুক্তিৰ অৱদানেৰে সমৃদ্ধ, আধুনিক মানৱ সমাজৰ এই লোকসকলে সময়ে সময়ে অন্ধবিশ্বাস, কু সংস্কাৰৰ নামত একোটা ভয়ানক জঘন্য কাণ্ড কেনেদৰে সংঘটিত কৰিব পাৰে, সেই কথা ভাবিবলৈকে আচৰিত লাগে। ওদালগুৰি জিলাৰ কলাইগাওঁ ব্লকৰ ৰামগাওঁ, কুলসীপাৰা অঞ্চলত এটি শিক্ষকৰ পৰিয়ালত পৰিয়ালৰ লোকসকলে নিজে সংঘটিত কৰা বৰোৰচিত ঘটনা অন্ধবিশ্বাসৰ নামান্তৰৰ বাহিৰে আন একো হ'ব নোৱাৰে, যি ঘটনাই সভ্য সমাজত বাস কৰা ৰাজ্যখনৰ প্ৰতিজন সচেতন লোককে লজ্জানত কৰিছে বিশ্ববাসীৰ সন্মুখত।

সাধাৰণতে প্ৰায়বোৰ মানুহৰ মনতে এই ধাৰণাটো থাকে যে শিক্ষাৰ পোহৰ নোহোৱা, স্বাস্থ্য সেৱাৰ কোনো সুযোগ সুবিধা নথকা, বৰ্হিজগতৰ লগত কোনো ধৰণৰ সম্পৰ্ক নথকা অত্যন্ত দুৰ্গম অঞ্চলসমূহত অন্ধবিশ্বাস, কু সংস্কাৰৰ প্ৰাদুৰ্ভাৱ বেছি। আনুষ্ঠানিক শিক্ষা লাভ নকৰা অথবা অৰ্ধ শিক্ষিত লোকসকলৰ মনত সহজে অন্ধবিশ্বাসে বাহ লয় আৰু তেওঁলোকক সেই চিন্তাধাৰাৰ পৰা মুক্ত কৰিবলৈ যথেষ্ঠ কঠিন। কিন্তু এই ঘটনাটোৱে সকলোকে স্তম্ভিত কৰি দেখুৱালে যে একবিংশ শতিকাৰ সমাজত বাস কৰা বিজ্ঞান শিক্ষক আৰু তেওঁৰ পৰিয়ালটো অন্ধবিশ্বাসৰ বোকাৰে লুতুৰি পুতুৰি হৈ আছে। বিগত এঘাৰ বছৰ ধৰি এই বিজ্ঞান শিক্ষকৰ ঘৰতে এজন ভণ্ড তান্ত্ৰিকে বেজ বেজালি, তন্ত্ৰ মন্ত্ৰৰ দৰে কাৰ্য্য কলাপ চলাই আহিব পাৰিছে। বিগত ৩৫ বছৰ ধৰি এই ব্যক্তিজনে বিজ্ঞান শিক্ষকৰূপে হেজাৰ হেজাৰ ছাত্ৰ ছাত্ৰীক কি বিজ্ঞান শিক্ষা প্ৰদান কৰিলে, সেয়া সকলোৱে সন্মুখত এক ডাঙৰ প্ৰশ্ন, য'ত তেওঁ নিজেই অন্ধবিশ্বাসৰ মায়া জালেৰে আবৰা। সমাজ এখনৰ উত্তৰণত এজন শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। ছাত্ৰ ছাত্ৰীসকলক শিক্ষা দীক্ষা প্ৰদান কৰি জ্ঞানৰ বাট মোকোলাই দিয়াৰ লগতে তেখেতৰ চিন্তা ধাৰা, কাৰ্যকলাপৰ দ্বাৰা যাতে সমাজখনৰ সামাগ্ৰিক বিকাশ আৰু উত্তৰণত সহায়ক হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। বিশেষকৈ গাঁৱ এলেকাত শিক্ষকজনক শৈক্ষিক, সামাজিক উন্নয়নৰ মূল চালিকা শক্তি বুলি ধৰি লোৱা হয়। কৰবাত যদি ভিতৰুৱা এলেকাত আনুষ্ঠানিক শিক্ষাৰ পোহৰ নোপোৱা মানুহৰ মাজত ধৰ্মান্ধতা, কু সংস্কাৰ আদি সোমাই থাকে তেন্তে সেই মানুহখিনিক বুজাই বঢ়াই যাতে এই সমূহ নিৰ্মূল কৰণত এক ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পাৰে, সেইয়া আমাৰ সমাজখনে, ৰাইজে আশা কৰে। অথচ অন্ধবিশ্বাসৰ কৰাল গ্ৰাসত সোমাই থকা এই বিজ্ঞান শিক্ষকজনে প্ৰায় দুকুৰি বছৰে ছাত্ৰ ছাত্ৰীৰ মাজত যিধৰণৰ শিক্ষাৰ পোহৰ বিলালে সেয়া বুজিবলৈ কাৰোৱেই বাকী নাই। শিক্ষকতাৰ দৰে মহান বৃত্তিটোৰ আদৰ্শক তেখেতে উপলুঙা কৰাই নহয় নিজৰ বৃত্তিটোৰ লগত জড়িত দায়িত্ব আৰু ভূমিকাৰো অপ প্ৰয়োগ কৰিলে। আনকি তেখেতৰ শিক্ষিত পুত্ৰকো এই কামত জড়িত কৰাইছিল। দিল্লীৰ পৰা বি.টেক পাঠ্যক্ৰম সমাপ্ত কৰা এইজন পুত্ৰৰ চিন্তাধাৰা কাৰ্য্যকলাপে সচেতন প্ৰতিজন ৰাজ্যবাসীকে হতচকিত কৰিছে। টি.ভিৰ পৰ্দাত সমগ্ৰ ৰাজ্যবাসীয়ে নিশ্চয় প্ৰত্যক্ষ কৰিছে তেখেতৰ ঘৰত বিজ্ঞান প্ৰযুক্তিৰ কৌশলৰে নিৰ্মিত সকলো আচবাব পত্ৰ বিৰাজমান। ঘৰৰ চৌহদত বিলাসী গাড়ী, বিলাসী বাইক। এনে উন্নত

(দহ পৃষ্ঠাত চাওক)

# খাইৰুল হুছেইন চাৰৰ চিনাকী মুখখন আৰু অচিনাকী মুখবোৰ

ফখৰুদ্দিন আহমেদ, ছিপাঝাৰ



শুধ বগা পাঞ্জাবী আৰু পাইজামা পৰিহিত মানুহজনে ইতিমধ্যে সুখ্যাতিৰে, সফলতাৰে শিক্ষকতা বৃত্তিটোৰ পৰা অবসৰ গ্ৰহণ কৰিলে। ক্ষীণকায় দেহৰ এই মানুহ গৰাকীয়ে পাৰ কৰি অহা সময়বোৰৰ পৰা যিবোৰ শিকিলে তাৰ প্ৰদৰ্শিত অংশবোৰ তেখেতে গম নোপোৱাকৈ মোৰ দৰে বহুতৰে পৰম আদৰ্শনীয়। মানুহজন চিনাকী অনুজ সকলৰ বাবে পৰম। দ্ধেয় আৰু অগ্ৰজ সকলৰ বাবে মৰমৰ, আদৰৰ আৰু চেনেহৰ। তেখেতৰ এটি বিশেষ ক্ষমতা আছে তেখেতে প্ৰথম চিনাকীতে সকলোকে আপোন কৰি ল'ব পাৰে। ধৰ্মীয় সকলো কাম যেনে পাছৱক্ত নমাজকে ধৰি নিত্য কৰণীয় সকলো কাম পৰম আন্তৰিকতাৰে কৰি যায়।

ইং ১৯৮২ চনত ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ সানোৱা অঞ্চলত প্ৰতিষ্ঠিত সানোৱা মধ্য ইংৰাজী মাদ্ৰাছা (বৰ্তমান সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়) ত নামভৰ্তি কৰাৰ দিনাৰ পৰা সাম্প্ৰতিক সময়লৈ মোৰ হৃদয়ত তেখেতৰ স্থান ক্ৰমাগত ভাবে উৰ্ধমুখী হৈ গৈ হে আছে। নিম্নমুখী হোৱাৰ বিষয়টো চিন্তা তথা মানসিকতাৰ বাহিৰৰহে। এই মানুহগৰাকীৰ নামটো হৈছে খাইৰুল হুছেইন। মোৰ মনত শ্ৰদ্ধাৰ খাইৰুল হুছেইন চাৰ নতুবা শ্ৰদ্ধাৰ হিন্দী চাৰ। মানে তেখেতে আমাক শ্ৰেণীত হিন্দী পঢ়াইছিল সেই কাৰণে। মনোগ্ৰাহী শিক্ষণ শৈলীৰ লগতে তেখেতে অসমীয়া সাহিত্য চৰ্চাত বিশেষ ভাবে ছাত্ৰ ছাত্ৰী সকলক উদগণি জনাইছিল। তেখেতৰো কিছু লেখনি বাতৰি কাকতত প্ৰকাশ পাইছিল আৰু সেইবোৰ আমাক মানে ছাত্ৰ ছাত্ৰী সকলক দেখুৱাই অনুপ্ৰাণিত কৰিছিল। ক'বলৈ গ'লে শ্ৰদ্ধাৰ খাইৰুল হুছেইন চাৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ তাগিদাতেই এটা সময়ত অসমীয়া সাহিত্যৰ চৰ্চাৰ বাবে হাতত কলম তুলি লৈছিলো। তেখেতৰ সেই চিনাকী মুখখনত প্ৰকটিত হোৱা মৰম সনা আদেশবোৰ কিমান দূৰ পালন কৰিব পাৰিছিলো তাৰ পূৰ্ণাংগ খতিয়ান দাঙি ধৰিব নোৱাৰিম যদিও অসমীয়া সাহিত্যৰ পথাৰত যিখিনি আজি কৰিব পাৰিছো তাৰ এশ শতাংশ কৃতিত্বৰ দাবীদাৰ শ্ৰদ্ধাৰ খাইৰুল হুছেইন চাৰৰ হে। মোৰ নাই। সময়ৰ সোঁতত শ্ৰদ্ধাৰ হিন্দী চাৰে সম্প্ৰীতিৰ সেতু, নবী কাহিনী, ৰক্তাক্ত পেলেষ্টাইন আদি মহা মূল্যবান মৌলিক গ্ৰন্থ আৰু বহুতো সম্পাদিত গ্ৰন্থৰ লগতে বিভিন্ন বাতৰি কাকতত শতাধিক প্ৰবন্ধ লিখি অসমীয়া সাহিত্যৰ ভৰাল টনকিয়াল কৰিছে। বয়সৰ জোখত মানুহৰ দেহলৈ আহিব লগা বহু কেইটি বেমাৰ তেখেতৰো দেহলৈ আহিছে যদিও তেখেতক কিন্তু নিতৌ দেখা যায় অসমীয়া সাহিত্যৰ কামত ব্যস্ত হৈ থকাৰ মুহূৰ্ততহে।

এই গৰাকী মোৰ পৰম শ্ৰদ্ধাৰ খাইৰুল হুছেইন চাৰৰ অনুপ্ৰেৰণা আৰু তাগিদাত এদিন মই হাতত কলম তুলি লৈছিলো আৰু আজি চাৰে বিচৰা ধৰণেই অসমীয়া সাহিত্যৰ চৰ্চাত ব্যস্ত হৈ আছো। মাতৃভূমি অসমৰ পৰা প্ৰকাশিত কেবাখনো দৈনিক আৰু সাপ্তাহিক লগতে মাহেকীয়া আলোচনীটো মোৰ লেখা নিয়মিত ভাবে প্ৰকাশ পাই আহিছে। সফল হৈছো নে নাই সেয়া পাঠক সমাজৰ তুলাচনীতহে অনুমেয় হ'ব। তাৰ পিছতো মনলৈ শ্ৰদ্ধাৰ চাৰৰ কথা মনলৈ চিৰাচৰিত ভাবেই আহে যেতিয়া বিভিন্ন কাকতত লেখনি প্ৰকাশ হ'লে যেতিয়া দুই এজন পাঠকে শুভেচ্ছা জনাই ফোনত কথা পাতে আৰু কেতিয়াবা দুই এজন পাঠকে ভুলবোৰ সৌজন্যতাৰে আঙুলিয়াই দিয়ে। এনেদৰেই অসমৰ প্ৰায়বোৰ জিলাতেই বহুতো মানুহ মোৰ চিনাকী হৈছে। কিন্তু তেখেত সকলৰ মুখবোৰ অচিনাকী। কাৰণ আমি মুখামুখী হ'বলৈ সুবিধা পোৱা নাই। তথাপি তেখেত সকলৰ কথা বতৰাত প্ৰকাশ পোৱা আন্তৰিকতাবোৰ মোৰ বাবে সম্প্ৰতি লিখাৰ বাবে অনুপ্ৰেৰণা আৰু জীয়াই থকাৰ সম্বল হৈ পৰিছে। অচিনাকী মুখবোৰো সম্পৰ্কৰ যে এটি অনাবিল শক্তিৰ ভাণ্ডাৰ সেই কথা মই হৃদয়ৰ পৰা মৰ্মে মৰ্মে উপলব্ধি কৰি আহিছো। মানুহৰ জীৱন বৰ অনুপম । এই কথা মোৰ জীৱনত বুজিবলৈ সুবিধা দিয়া মানুহজনেই হৈছে শ্ৰদ্ধাৰ খাইৰুল হুছেইন চাৰ। হাতৰ কলমটিৰে নিজৰ লগতে আন বহুতৰে জীৱনৰ ছবি সাহিত্যৰ জৰিয়তে অংকণ কৰি সন্তুষ্টি লাভ কৰা শ্ৰদ্ধাৰ চাৰৰ চিনাকী মুখখনৰ আবেদনময়ীতাই আন বহুতো অচিনাকী মুখৰ লগত সেতু বন্ধনৰ বাবে যিটো কলম তুলি মোৰ হাতত দিছিল সাম্প্ৰতিক সময়ত সেয়া মোৰ বাবে পৃথিবীৰ আটাইতকৈ মূল্যবান সম্পদ হিচাপে বিবেচিত হৈছে। কাৰণ তেখেতে মানুহৰ হৃদয়ৰ পৰা হৃদয়ৰ লগত সফল ভাবে সংযোগ কৰিব পৰা অস্ত্ৰপাতএটি কলমৰ ৰূপত তুলি দিছিল। মানুহৰ হৃদয়ৰ লগত সফল ভাবে সংযোগ ঘটাব পৰাটোতহে প্ৰকৃততে মানুহৰ জীৱনৰ সফলতা অন্তৰ্নিহিত হৈ থাকে।



অসম চৰকাৰ
Azadi Ka Amrit Mahotsav
Har Ghar Tiranga
13th-15th August 2022
১৩-১৫ আগষ্টে
ঘৰে ঘৰে
জাতীয় পতাকা
তিনি বৰণীয়া
জাতীয় পতাকা
নীল আকাশত নাচে
JANASANYOG- 1669/22
দেশপ্ৰেমৰ পৱিত্ৰ আৱেগেৰে
আমি প্ৰত্যেকেই জাতীয় পতাকা
উত্তোলন কৰোঁ আহক
আহক, ১৩ৰ পৰা ১৫ আগষ্টলৈ আমি সকলোৱে 'ঘৰে ঘৰে জাতীয় পতাকা' কাৰ্যসূচীত আন্তৰিকতাৰে অংশ লওঁ।
আমাৰ লক্ষ্য – দেশৰ ২০ কোটি পৰিয়ালৰ সৈতে অসমৰ ৮০ লাখ বাসগৃহ, কাৰ্যালয় তথা ব্যৱসায়িক প্ৰতিষ্ঠানত শ্ৰদ্ধাসহকাৰে আমাৰ গৌৰৱৰ প্ৰতীক জাতীয় পতাকাৰ উত্তোলন।
১৩ৰ পৰা ১৫ আগষ্টলৈ প্ৰতিটো
• বাসগৃহত
• চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত
• ব্যৱসায়িক প্ৰতিষ্ঠানত জাতীয় পতাকা উত্তোলন কৰক।
জাতীয় পতাকাৰ সৈতে নিজৰ এখন ফটো আপলোড কৰিবলৈ লগ অন কৰক
http://harghartiranga.com
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত। আমাক অনুসৰণ কৰক /@diprassam https://dipr.assam.gov.in/
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ত Assam লিখি ৱাটছএপ কৰক
Exclusive/DIPR/07-2022

# চিন্তা

সংযুক্তা দত্ত, দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়



আমি সকলোৱে যিকোনো কাম এটা কৰাৰ আগত চিন্তা কৰো। মানুহে আগত চিন্তা কৰে তাৰ পাছত হে যিকোনো এটা কাম হাতত লয়। চিন্তাই কাম এটা কৰিলে তাৰ ফলাফল কি হ'ব তাক দেখুৱাই দিয়ে। অৱশ্যে আমাৰ সকলোৱে চিন্তা-ধাৰা বেলেগ বেলেগ সেয়া বেয়া চিন্তাও হ'ব পাৰে অথবা ভাল চিন্তাও হ'ব পাৰে। সেয়া নিৰ্ভৰ কৰে মানুহ এজনৰ মানসিকতা আৰু পৰিস্থিতিৰ ওপৰত। চিন্তাই যেনেদৰে সিদ্ধান্ত লোৱাত সহায় কৰে। ঠিক তেনেদৰে চিন্তাই এজন মানুহক ভিতৰি ভিতৰি মাৰিও পেলাব পাৰে। চিন্তা হ'ল চিতাৰ নিচিনা যিয়ে মানুহ এজনক শেষ কৰি দিব পাৰে। সেই বুলি কিন্তু চিন্তা নকৰাকৈও থাকিব নোৱাৰি । আমি সকলোৱে কেতিয়াবা কেতিয়াবা চিন্তাত পৰা উচিত । চিন্তাৰ দুটা দিশ থাকে এটা ভাল এটা বেয়া। আমি সদায় ভাল দিশটোৰ ওপৰতো চিন্তা কৰি চাব লাগে আৰু বেয়া দিশটোৰ ওপৰতো চিন্তা কৰি চাব লাগে। কাৰণ ভাল দিশটোৱে আমাক আমাৰ লাভৰ বিষয়ে ক'ব আৰু বেয়া দিশটোৱে আমাক আমাৰ লোকচানৰ বিষয়ে ক'ব । দুয়োটা দিশৰ জৰিয়তেহে আমি এটা ভাল চিন্তা কৰি এটা ভাল সিদ্ধান্ত ল'ব পাৰো।

# সেওঁতা

শৰ্মিষ্ঠা দেৱী আমোলাপট্টি



সময়,
তই ৰৈ যা
দি যা মধুময় অতীত
যাৰ বোকোচাত উঠি
হ'ব পাৰো -
সেউজীয়া ভৱিষ্যতমুখী।
মা,
সচাঁকৈয়ে নালাগে মোক
সোণৰ খাৰু
বান্ধি দে তোৰ মৰমৰ আঁচল
ছাঁ হৈয়েই থাকক সিয়ো
নালাগে দিব মণি-মুকুতা,
অ' মোৰ চেনেহৰ দেউতা
তোৰ আশীষ এজোলোকাক
সাৰথি কৰি
ৰঙা কৰিম
মোৰ উকা সেওঁতা

# ব্ৰহ্মকুণ্ড আৰু

তেওঁৰ নাম ব্ৰহ্মপুত্ৰ হয়। ব্ৰহ্মপুত্ৰই পাহাৰত পানীৰে এটি কুণ্ড কৰি তাতে সোমাই থাকিল। মাতৃহত্যা পাপৰ পৰা উদ্ধাৰ পাবলৈ পৰশুৰামে তেওঁৰ হাতৰ কুঠাৰেৰে পৰ্ব্বত কাটি ব্ৰহ্মকুণ্ডৰ পানী বোৱাই দি সেই পানীত স্নান কৰাত তেওঁৰ হাতৰ কুঠাৰ সৰি পৰে । পৰশুৰামে স্নান কৰি মাতৃহত্যা পাপৰ পৰা উদ্ধাৰ পোৱা ঠাইৰ নাম হ'ল পৰশুকুণ্ড বা পৰশুৰামকুণ্ড ।

# পথভ্ৰষ্ট বিৰোধী আৰু

যায়। ২০২১ চনৰ ২৪ ডিচেম্বৰত অসম বিধানসভাত প্ৰদান কৰা এক ভাষনত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়যে সদনৰ কাৰ্য্যক্ৰমনিকাত উদ্দেশ্য প্ৰণোদিতভাৱে বাধা প্ৰদান কৰা আৰু স্থগিত কৰাৰ চেষ্টা কৰাটো ভাৰতীয় গণতান্ত্ৰিক পৰম্পৰাৰ অংশ নহয়। তেওঁ কয়, " Democracy is based on debates and dialogue. But the continuous disruptions of debates in the House and lack of decorum is a matter of concern." তেওঁ লগতে কয়যে ৰাইজৰ আশা আকাংক্ষাক বাস্তৱিক ৰূপ দিয়াৰ দায়িত্ব সাংসদ সকলৰ ওপৰত ন্যস্ত আছে। সাংসদসকলে ইয়াৰ নিশ্চিতি প্ৰদান কৰা উচিত। বিখ্যাত তামিল কবি থিৰুৱাল্লুৱাৰে এটা বিখ্যাত পংক্তি (কুৰাল ৪৪৮) ত কৈছে- "The king with none to censure him, bereft of safeguards all, though none his ruin work, shall surely ruined fall." সমালোচকবিহীন ৰজাক ধ্বংস কৰোতা কোনো নেথাকিলেও তেওঁৰ পতন নিশ্চিত। এটা সৰু পংক্তিৰ মাজেৰে কবিয়ে সমালোচক বা বিৰোধীপক্ষৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে এখন সুন্দৰ ছবি দাঙি ধৰিছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাত বিৰোধী দলৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু যোৱা সময়ছোৱাত বিৰোধী দলৰ কামকাজে ৰাইজক সন্তুষ্ট কৰিব পৰাটো নায়েই, আশাহত কৰিছে। আমাৰ ৰাজ্যখনৰ কথাকে যদি কওঁ, প্ৰধান বিৰোধী দল কংগ্ৰেছ নিজৰ মাজতে খোৱা কামোৰা আৰু দল বদলোৱাত ব্যস্ত। ৰাইজৰ কণ্ঠহৈ চৰকাৰক মূল্যবৃদ্ধি, বানপানী, নিবনুৱা সমস্যা আদি এশ এবুৰি সমস্যাৰ বিষয়ে সকিয়নি দিবলৈ তেওঁলোক চৰম ভাবে ব্যৰ্থ। কেন্দ্ৰটো একেই অৱস্থা। কংগ্ৰেছৰ গুৰিয়াল গান্ধী পৰিয়াল আজি এনফৰ্চমেন্ট ডিৰেক্টৰেটৰ জেৰাত বিধস্ত, তেওঁলোকে ৰাইজৰ কথা ভাবিবলৈ সময় ক'ত! নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা এটা দলে একেলেঠাৰিয়ে বিজয়ী হৈ থাকিলে সেয়া কুশাসনত পৰিণত হোৱাৰ সম্ভাৱনাই প্ৰবল। এটা শক্তিশালী, একত্ৰিত, জনতাৰ প্ৰতি দায়বদ্ধ বিৰোধী শক্তিহে এনে ক্ষেত্ৰত আশা ভৰষাৰ স্থল। কিন্তু আমাৰ দেশত আমি বিৰোধী দলৰ এখন পুতৌলগা ছৱিহে দেখিবলৈ পাই আহিছোঁ। বিশেষকৈ ২০১৯ৰ লোকসভা নিৰ্বাচনত বিৰোধী দলসমূহে অতি পুতৌলগা ফলাফল দেখুৱালে। দ্বিতীয়বাৰৰ বাবে কংগ্ৰেছে বিৰোধী দলৰ খিতাপ লাভৰ পৰা বঞ্চিত হ'ল। বাকী দল বোৰো সংকীৰ্ণ দলীয় মনোভাৱ, জাতিগত বৈষম্য, আৰু আঞ্চলিকতাবাদী ভাবধাৰাৰে পুষ্ট। নিৰ্বাচিত চৰকাৰখনক স্বৈৰাচাৰী হোৱাৰ পৰা বাধা প্ৰদান কৰিবলৈ শক্তিশালী আৰু কৰ্মোক্ষম বিৰোধী দলৰ অতি প্ৰয়োজন। হকে বিহকে চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰিলৈ কৰা একমাত্ৰ কাৰ্য্যক্ৰমনিকাই জনমানসত বিৰোধী দলসমূহৰ প্ৰতি বিৰাগ ভাবহে সৃষ্টি কৰে। সুনিৰ্দিষ্ট লক্ষ্য আৰু পৰিকল্পনা অবিহনে হকে-বিহকে সদনত চিঞৰ বাখৰ কৰি সদনৰ কামকাজত বাধা জন্মোৱাতোৱেই বিৰোধী দলৰ কাম হোৱা অনুচিত। বিৰোধী দলসমূহে জনসাধাৰণক প্ৰতিয়ন নিয়াব পাৰিব লাগিবযে তেওঁলোক কেনেকৈ চৰকাৰৰ পৰিপূৰক, তেওঁলোকৰ আঁচনিসমূহ কি কি। জনাদেশ শিৰতলৈ নিৰ্বাচিত হোৱা চৰকাৰ এখনৰ যিকোনো কাম সমালোচনা কৰিবলৈ যোৱাটো বিৰোধী দলসমূহৰ বাবে বুমেৰাং সদৃশ হ'ব পাৰে। এনেকুৱা বহু উদাহৰণ আছে যিবোৰে এতিয়া প্ৰমাণ কৰিছেযে বিৰোধী দলসমূহে কৰিব লাগে বাবেই চিএৱৰ বাখৰ কৰিছিল। উদাহৰণস্বৰূপে, অযোধ্যা বিবাদ, তিনি তালাক বিল, ৩৭০ আৰু ৩৫ এ ধাৰাৰ বিলুপ্তিকৰণ আদি বিলসমূহ সদনত উত্থাপন কৰাৰ সময়ত বিৰোধী দলসমূহে যথেষ্ট হৈচৈ কৰিছিল যদিও সময়ত সেয়া চৰকাৰৰ শুদ্ধ সিদ্ধান্ত আছিল বুলি প্ৰমাণিত হৈছে। বিৰোধী দলসমূহে দাবী কৰি আহিছে যে কেন্দ্ৰীয় চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি সমূহ পূৰণ কৰিব পৰা নাই আৰু চৰকাৰে এনফৰ্চমেন্ট সঞ্চালকালয়, চি বি আই, নিৰ্বাচন আয়োগ আদিক বিৰোধী পক্ষৰ বিপক্ষে প্ৰতিশোধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। বোকা দলিওৱা-দলি কৰাটো যিহেতু চৰকাৰ আৰু বিৰোধীৰ এক গতানুগতিক পৰম্পৰা, এইক্ষেত্ৰত বিৰোধী দলসমূহে চৰকাৰক সুবিধা নিদিয়াকৈ নিকা আৰু সুসংগঠিতহৈ থকাহে উচিত। ভাৰতীয় ৰাজনীতিৰ বিষয়ে ক'বলৈগে চাৰ আইৰৰ জেনিংছে বহুযুগৰ আগতেই কৈছিল, "If there is no opposition, there is no democracy." ১৯৫২ চনৰ সংসদৰ পৰাই ভাৰতীয় ৰাজনীতিত বিৰোধী দূৰ্বল আৰু সংকীৰ্ণমনা বুলি প্ৰতিয়মান হৈ আহিছে। বিখ্যাত ৰাজনৈতিক বিজ্ঞানী, সমিক্ষক, লিখক, ৰজনী কোঠাৰীয়ে কৈ যোৱা 'কংগ্ৰেছ চিষ্টেম'ৰ দৰে এদিন 'বিজেপি চিষ্টেমে'ও ভাৰতীয় চিন্তাধাৰাক নিয়ন্ত্ৰণ কৰিব যদিহে ক্ষুদ্ৰ স্বাৰ্থৰ পৰা বাহিৰলৈ ওলাই আহি বিৰোধী দলে ঐক্যবদ্ধহৈ নিৰ্দিষ্ট লক্ষ্যৰে আগবাঢ়িব নোৱাৰে।

# নৱৈৱত ভৰি দিলে পদ্মশ্ৰী

পাহৰা নাই। সেইসকল দৰ্শক এতিয়া বৃদ্ধ- বৃদ্ধা। কিন্তু নৃত্য-নাটিকাখন উপভোগ কৰোতে কিশোৰ-কিশোৰী, যুৱক-যুৱতী আছিল আৰু মঞ্চত পৰিৱেশন কৰোতে তেওঁলোকেও ঝুমুৰৰ তালে তালে নাচি উঠিছিল। 'ভাস্কৰ থিয়েটাৰ'লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰা সেই তৰুণজনৰ আজি ৮৯ বছৰ সম্পূৰ্ণ হ'ল, কিন্তু এই বয়সতো দুৰন্ত তৰুণ হৈ আছে। কভিড-১৯ মহামাৰীৰ বাবেহে ২০২০ বৰ্ষত ছমাহমান ঘৰতে আবদ্ধ হৈ আছিল আৰু এই বৰ্ষতো এপ্ৰিল মাহৰ মাজভাগৰ পৰা ঘৰতে সোমাই আছে। তাৰ বাহিৰে এই দুৰন্ত তৰুণজনে সাংস্কৃতিক ক্ষেত্ৰখনত বিভিন্ন ধৰণে জড়িত হৈ ভিন্ন ভিন্ন কৰ্মত নিয়োজিত হৈ আছে। অফুৰন্ত কৰ্মপ্ৰেৰণাৰে যুৱক হৈ থকাৰে পৰা অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ অমূল্য অৱদান আগবঢ়াই আহিছে। কলা-সংস্কৃতিপ্ৰেমী এইজন লোকক অসমৰ বিভিন্ন দল সংগঠনে, অসমৰ ৰাইজে সন্মান-স্বীকৃতি প্ৰদান কৰিছে। ভাৰতে চৰকাৰে 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰিছে। অসম চৰকাৰে কিছুদিন পূৰ্বে 'অসম বিভূষণ', 'অসম ভূষণ' আদি সন্মান প্ৰদানৰ কথা ঘোষণা কৰিছে। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ আজীৱন অৱদান আগবঢ়োৱা এইজন লোককো 'অসম বিভূষণ' বা 'অসম ভূষণ' সন্মান প্ৰদান কৰিব পাৰে। এইজন আন কোনো নহয়, নৃত্যাচাৰ্য যতীন গোস্বামী। নৃত্যাচাৰ্য গৰাকীয়ে শৈশৱ-কৈশোৰ-যৌৱন কাল কেনেকৈ ক'ত কটাইছিল, কলা-সংস্কৃতিৰ জগতখনৰ প্ৰতি কেনেকৈ আকৰ্ষিত হ'ল, কোনে প্ৰেৰণা দিলে, অসমৰ কলা-সংস্কৃতিলৈ তেখেতৰ অৱদান কিমান, সাংস্কৃতিক ক্ষেত্ৰখনত সমগ্ৰ জীৱনৰ অধিক সময় ব্যয় কৰোতে তেখেতে কঠোৰ জীৱন সংগ্ৰাম কেনেকৈ চলাইছিল, এই সকলো কথা সামৰি বাতৰি কাকতৰ সীমিত পৰিসৰত এটা দীঘলীয়া লেখা প্ৰকাশ কৰা সম্ভৱ নহয়। পিচলৈ সেই বিষয়ে সবিশেষ পাঠকক জনোৱাৰ আশাৰে আজি নৃত্যাচাৰ্যক জন্মদিনৰ অলেখ শুভকামনা যাচিলো।

# পখিলাৰ আত্মকথা


গায়ত্ৰী দেৱী বৰঠাকুৰ, তেজপুৰ

**যোৱা খণ্ডৰ পৰা**

ই কেনেকৈ সম্ভৱ..! !! পখিলাৰ হাতত এখন সৰু ডায়েৰী। নাম ---'আত্মগাথা'। ওপৰত বাইদেউৰ হাতৰ আখৰ। পখিলা যিদিনা বাইদেউৰ ঘৰলৈ আহিছিল সেইদিনাই আলহী খুৰীয়ে বাইদেউৰ কথা মতেই তাইৰ ভনীয়েক দুজনী আৰু ভায়েকটোক অনাথ আশ্ৰম এখন থৈ আহিছিলে গৈ। " পখিলা তয়ো থাকিবি নেকি তাহাঁতৰ লগত "--- তাই অহাৰ কেইদিন মান পাছতেই তাইক সুধিছিলে বাইদেৱে।

"নাই বাইদেউ, মই নাযাওঁ।"

"আপোনাক এৰি মই ক'তো নাযাওঁ বাইদেউ। যাব নোৱাৰোঁ বাইদেউ।" -- পখিলা মুখ ফুটাই তেতিয়া ক'ব পৰা নাছিল। অনুশোচনাত ভোগে আজিও তাই। কিয় সেইদিনাই কৈ নিদিলে বাইদেউক তাইৰ মনৰ কথা। পিছত দেউতাক ঢুকালে বুলি মাকে ফোন কৰোতে তাইক নি ঘৰত বিশ দিন মানৰ বাবে ঘৰত থৈ আহিছিলে গৈ বাইদেৱে তাইৰ দুশ কিল'মিটাৰৰ দূৰৰ ঘৰ(?) খনত। আগতেও বাইদেৱে তাইক ঘৰলৈ যাবলৈ কয়। বিহুৰে-পূজাই। নাই পখিলা যাব নোৱাৰে। আলহী খুৰী আহিলেই তাই খবৰ লয় মাক- দেউতাকৰ। আৰু মন গ'লে কৰে এটা ফোন। ছমাহত হয়তো এবাৰ । অ ' যোৰ কৰি পখিলাক মাজে- সময়ে আশ্ৰমলৈ লৈ গৈছিল বাইদেৱে। দিনটো থাকি আকৌ উভটি আহিছিল সিহঁত। ক'তো মন বহুৱাব নোৱাৰে পখিলাই বাইদেউ নহ'লে। কলেজলৈ যাওঁতে কিমান বাৰ যে ফোন কৰে তাই বাইদেউকলৈ। মাকৰ লগত কথা পাতোতেও কেৱল বাইদেউৰ কথাই। "বাইদেৱে অমুক কৰে, বাইদেৱে তমুক কৰে। কেৱল বাইদেউ আৰু বাইদেউ। এই দেখোন সকলোতে আপোনাকেই দেখে। চৌব্বিছ ঘন্টাই কেৱল আপোনাৰ নামৰে ই মালা জপে চোন তাই।" -- পখিলাক আনিবলৈ যাঁওতে তাইৰ মাকে বাইদেউক কোৱা শেষ কথা আছিল সেইয়া। বাইদেৱে পখিলাক মাকৰ লগতে থকাৰ কথা কৈছিলে। নাই পখিলাৰ পাখি দুখন বাইদেউ। তাই নোৱাৰে নিজৰ পাখি দুখন এৰি থাকিব। " মই মাক আশ্ৰমতেই থ'ম বাইদেউ। ভাইটিহঁতৰ লগত। মাও সুখী হ'ব ময়ো..!" "বাৰু, ব'ল পখিলা। তোৰ লগত বহুত কথা আছে। তোৰ বাবে ৰাজকুমাৰ এজন চাবলৈ যো- জা কৰিছোঁ অ' পখিলা।" পখিলা ঘৰৰ পৰা আহি পোৱাৰ কেইদিন মান পাছতেই পৃথিৱীত আৰম্ভ হৈছিল এক ভয়ানক ৰোগৰ। অচিন এই ৰোগটোৱে সকলোকে গিলি গৈছিল। গোটেই পৃথিৱী ভয়ত থৰহৰে কঁপিছিল। 'কা ' আন্দোলনৰ বিষম পৰিস্থিতিৰ পাছতেই আৰম্ভ হৈছিল এই অচিন ৰোগৰ সংক্ৰমণ। সকলো ঘৰৰ ভিতৰত আৱদ্ধ। গৃহবন্দী। স্কুল-কলেজ, অফিচ - কাছাৰী সকলো বন্ধ। স্তব্ধ হৈ পৰিল জীৱন গতি । তাৰ মাজতো কিন্তু একে গতিতেই চলি থাকিল বাইদেউৰ কাম -কাজ। লেখা- মেলা বিচাৰি বহুতেই ফোন কৰে। বিশেষকৈ অনুবাদৰ বাবে। দিনত সময় মিলাব নোৱাৰে বাইদেৱে। ৰাতি বাইদেউৰ কমৰ লাইট জ্বলি থাকে। বাইদেৱে লিখি থাকে- পঢ়ি থাকে। ৰাতিপুৱা তিনিটা- চাৰিটা মানত বাইদেউ শোৱে। কেতিয়াবা এঘন্টা। কেতিয়াবা দুঘন্টা। তাৰপিছত একেদৰেই সোনকালেই উঠি কাম- বন কৰি লেখা- মেলাত ব্যস্ত হয় বাইদেউ। আঠ মান বজাত পৰী- পলীহঁতে সাৰ পায়। তেতিয়ালৈ বাইদেউৰ আৰু তাইৰ দুবাৰ চাহ খোৱা হয়। আজিকালি বাইদেউৰ ব্যস্ততা আৰু বাঢ়িল। পৰীৰ লগতে পলীকো পঢ়ুৱাব লাগে। দুয়োৰে অনলাইন ক্লাচ। নিজৰ ক্লাচ। সকলো ঠিকে-ঠাকে থকা হ'লে পলীও এইবাৰ স্কুললৈ গ'ল হয়। কিন্তু, এই ক'ৰণাই সকলো শেষ কৰি দিলে ...সকলো.... আজিৰ পৰা চাৰি বছৰৰ আগৰ সেই দিনটো কেতিয়াও নাপাহৰে পখিলাই । পাহৰিব নোৱাৰে পখিলাই। এটা বছৰ ঘৰতে থকাৰ বাবে ওজন বাঢ়িছিল বাইদেউৰ । চুগাৰো বঢ়াৰ বাবে ৰাতিপুৱা খোজ কাঢ়ি বলৈ যোৱাৰ বাহিৰে ক'তোয়েই ওলাই যোৱা নাছিল বাইদেউ। বজাৰৰ পৰা অনা বস্তু এটা - এটাকৈ ধুইছিলে নিজে। কিন্তু তাৰ মাজতেই কোনোবা ফাঁকেৰে বাইদেউৰ শৰীৰত প্ৰৱেশ কৰিলে ক'ভিড নাইনটিনৰ ভয়াবহ বীজানুৱে। প্ৰথমে জ্বৰ তাৰপিছত টেষ্ট। ক'ৰণা। বাইদেউৰ ক'ৰণা। আৰু মাত্ৰ পাঁচদিন....মাত্ৰ পাঁচদিনৰ ভিতৰতে সুলকি পৰিল পখিলাৰ পাখি। বাইদেৱে ঘূৰি নহা দেশলৈ কৰিলে অনন্ত যাত্ৰা। কি পৰিৱেশ হৈছিল ঘৰখনৰ! মানুহ ভালপোৱা মানুহগৰাকীক শেষ বিদায় জনাবলৈ কোনোয়েই যাব নোৱাৰিলে। আনকি পৰী-পলীও। আনকি তায়ো। কেনেকৈ যে চম্ভালি লৈছিল নিজকে পখিলাই!! কেনেকৈ যে চম্ভালি লৈছিল সকলোকে? পৰী- পলীৰ চকুলৈ চাব পৰা নাছিল তাই। অনবৰতে দুৱাৰ মুখত বৈ চাই থাকে পদুলিলৈ। "মা কেতিয়া আহিব পখিলা বা, কোৱা না বা কোৱাচোন?" " মায়ে খুৱাই দিলেহে খাম বুলি, মায়ে গ'লেহে



যাম বুলি ঠেহ পাতি থকা পৰী- পলীহঁতে এবছৰ মান পাছত বুজি ল'লে যে মাক হয়তো আৰু কেতিয়াও নাহে। যেনেদৰে এদিন পখিলাই বুজি পাইছিল দেউতাকে প্ৰথম বাৰলৈ তাহাঁতক এৰি যাঁওতে। এতিয়া তাই ভালদৰেই বুজিব পাৰে পৰী- পলীৰ মনৰ অৱস্থা। পখিলা ভাগি পৰে। দুয়োজনীৰ অন্তঃজগত খনত বিচৰণ কৰে, তাহাঁতৰ দুখ উপলব্ধি কৰি।

ৰাতিপুৱাৰ পৰা ৰাতি শোৱালৈকে পখিলা পৰী- পলীৰ লগৰী হৈ পৰিছিল আগতকৈও বেছি। লাহে-লাহে দুয়োজনী অলপ সুস্থিৰ হ'ল সুস্থিৰ হৈ পৰিল পৃথিৱীও। স্কুল - কলেজৰ লগতে জীৱনো আকৌ আগৰ দৰে ব্যস্ত হৈ পৰিল। ব্যস্ত হৈ পৰিল দাদাও । ফোনত। মাথোঁ বাইদেউ স্মৃতিৰ মাজত অকলেই থাকি গ'ল পখিলা। থাকি গ'ল বাইদেউ হোৱাৰ প্ৰস্তুতিৰ মাজত।

কিন্তু তাই পাৰিব জানোঁ বাইদেউ হ'ব????

"ইহঁতি দুজনীৰ বাবেই তুমি আকৌ বিয়া কৰোৱা দুয়ন্ত।"-- আলহী খুৰীয়ে দাদাক ফোনতে কোৱা কথাষাৰ শুনি থৰ হৈ পৰিল পখিলা। দাদাকে কি উত্তৰ দিয়ে তাকে শুনিবলৈ তাই বাট চালে। নাই একো নক'লে তেখেতে। এনেয়ো বৰ কম কথা মানুহজনে। অলপ গহীন ফোনটো থৈছোঁ বুলি আঁতৰি গ'ল দাদাক তাৰ পৰা।

যি দুখ বুকুত বান্ধি এখন সুখৰ সংসাৰ ৰচিছিল বাইদেৱে সেই সংসাৰত অন্য এগৰাকীৰ প্ৰৱেশ তাই মানি ল'ব নোৱাৰে। এইখন বাইদেউৰ আৰু বাইদেউৰ ঘৰেই হৈ থাকিব। পখিলা আগুৱাই গ'ল দাদাকৰ কমৰ ফালে।

"দাদা, আপুনি কি ভাবিলে কথাটো?"

"কোনটো কথা?"

অথনি আলহী খুৰীয়ে কোৱা কথাটো। (পখিলাই 'আলহী খুৰী' বুলিয়েই কয় বাইদেউৰ মাকৰ কথা।)

"মই ...."

"আপুনি নোৱাৰে দাদা, আপুনি আন কাকো এই ঘৰত আনি সুমুৱাবহি নোৱাৰে। মই থকালৈকে.."।

" পখিলা!!!

তই কেনেকৈ থাকিবি আমাৰ লগত। কিমান দিননো আৰু ৰাতি-ৰাতি তোক ৰখিবলৈ আহিব মালতী বাই। আৰু লাহে লাহে তোৰো বিয়াৰ কথা ভাবিবৰ হ'ল। বাইদেৱে অলপ আগুৱাইছিলেই কথাবোৰ। পিছে ক'ৰণাই......" আধাতে ৰৈ গ'ল দাদা।

"মই বিয়া নহওঁ দাদা।"

"বিয়া নহ'লেও তই কেনেকৈ থাকিবি এইখন ঘৰত? তয়ো আশ্ৰমলৈকে যা গৈ যা পখিলা।"

"আশ্ৰমলৈ, পৰী- পলীক, আপোনাক এনেদৰে এৰি থৈ ! মোৰ বাবে এই খনেই আশ্ৰম দাদা। বাইদেউৰ আশ্ৰম। বাইদেউ বিহীন পখিলা নামৰ অনাথৰ বাবে এই আশ্ৰমেই শ্ৰেষ্ঠ আশ্ৰম। পূণ্য আশ্ৰম।

আৰু দাদা, মই বহুত কথাই জানো। আপোনাৰ আৰু বাইদেউ মাজৰ বহুত কথাই জানোঁ মই। পৰীৰ জন্মৰ পাছত অলপ-অলপকৈ আৰম্ভ হৈ পলীৰ জন্মৰ পৰাই যে আপোনালোকৰ মাজত স্বামী-স্ত্ৰীৰ একো সম্পৰ্কই নাছিল সেই কথা মই জানোঁ। আপুনি পুত্ৰ সন্তান বিচাৰিছিলে দাদা!! পালে পৰীক। পুত্ৰৰ আশাত আকৌ পালে পলীক... । আপুনি উদাসীন হৈ পৰিলে। আপোনাৰ উদাসীনতাই বাইদেউক মানসিক ভাৱে অশান্ত কৰি তুলিছিল। ৰাতি- ৰাতি টোপনি ক্ষতি কৰি লেখা- মেলা কৰি, দিনটো অলপ জিৰণি নোলোৱাকৈ যি শাস্তি বাইদেৱে নিজক দিছিলে সেই শাস্তিয়েই বাইদেউক দুৰ্বল কৰি তুলিছিল। আৰু তাৰে সুযোগ ল'লে ক'ৰণাই। আৰু বেলেগক মই এই সুযোগ দিব নোৱাৰো দাদা। আপুনি উদাসীন হৈয়ে থাকক দাদা, মাথো মোক প্ৰদান কৰক ইহঁত দুজনীৰ মাকৰ স্বীকৃতি। "

"পখিলা, কি কৈছ এইবোৰ তই।"

অ' দাদা, মই ঠিকেই কৈছো। বাইদেউৰ স্মৃতিয়েই হ'ব মোৰ আত্মগাথা। পখিলাৰ আত্মগাথা আৰু আৰু বাইদেউৰ সংসাৰ খনেই মোৰ জীৱন। মই বাইদেউক কথা দিছিলোঁ দাদা। মই বাইদেউক কথা দিছিলোঁ।"

# বিদ্যালয়ৰ মধুৰ স্মৃতি

হিমাদ্ৰী বৰকটকী, নগাঁও



সকলোৰে চাগে বিদ্যালয়, কলেজ, অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগত ঘটা বহুতো ঘটনা আছে। মোৰ ও বিদ্যালয়, কলেজৰ বহুতো ঘটনা আছে । ইমানবোৰ ঘটনা বৰ্ণনা কৰিব নোৱাৰি এতিয়া। তথাপি এটা জমনি ঘটনাকে কওঁ আপোনালোকৰ আগত। মই তেতিয়া সপ্তম শ্ৰেণীত পঢ়ি আছিলোঁ। শংকৰদেৱৰ শিশু নিকেতনত ল'ৰা ছোৱালী একেলগে পঢ়িছিলে। এফালে ল'ৰা বহে আৰু এফালে ছোৱালী। এবাৰ আমি ক্লাচত উৎপাত কৰি আছিলোঁ। আচাৰ্য নাছিল স্কাচত। আমি গম নোপোৱাকৈ হিন্দী পঢ়াবলৈ আচাৰ্য আহিল । আহি দেখে আমি উৎপাত কৰি আছোঁ। আমি লগে লগে চুপচাপ হৈ গ'লো। কিন্তু আমাৰ লগৰ এটাই বেঞ্চৰ ওপৰত উঠি নাচি আছিল। তাক আচাৰ্য ই দেখি লিচীপনিৰে মৰিয়ালে আৰু মোৰ লগত বহুৱাই দিলে। আৰু ক'লে আজিৰ পৰা তই হিমাদ্ৰীৰ লগত বহিবি। মোৰটো টেমা গৰম হৈ গৈছে। পিছদিনা মোৰ লগৰ জনিৰ লগত প্লেন কৰিলোঁ, যে চেপটি পিন এটা লৈ যাম। কথা মতে কাম। পিছদিনা সি আমাৰ মাজত বহি আছে। মই সি গম নোপোৱাকৈ চেপটি পিনটো দি খোচ মাৰি দিলোঁ টিকাত। সি কি ঔ বুলি চিঞৰিলে। সি আমাৰ ফালে চাই কলে তহঁতে কিবা কৰিছ ন? মই আচাৰ্যক কৈ দিম ৰ'হ। মই তেতিয়া তাক ক'লো তই আচাৰ্যক ক'লে মই তোক আৰু খুচিম। তই ভালে ভালে ইয়াৰ পৰা উঠ। উপাই নাপাই বেচেৰাই আচাৰ্যক ক'লে বেঞ্চখন বেয়া তিনিটা বহিব নোৱাৰি। মই আগৰ ঠাইতে বহোনে? আচাৰ্য ই তাক আগৰ ঠাইতে বহিবলৈ ক'লে। লগে লগে আমাৰ হাঁহি। আমাৰ প্লেন success বেচেৰা ভয়তে পলাল আমাৰ মাজৰ পৰা।

২১ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 7 August, 2022

# বৰষুণ

লক্ষী প্ৰসাদ ৰেগন



আমি বৰষুণত তিতিব পাৰো। এবাৰ নহয় দুবাৰ নহয়
হাজাৰ বাৰ
কিন্তু কি লাভ
আমি হৃদয়খনক কোনোদিনে চুব নিদিওঁ
পবিত্ৰ বৰষুণজাকক
এদিন বৰষুণৰ কবিতা লিখি থাকোতেই
বৰষুণজাক আহিল
মই আকাশলৈ মূৰ তুলি চাব খুজিছিলো
চাৰিওফালে ডাৱৰ আৰু ডাৱৰ
কবিতা লিখা সামৰি উপন্যাস এখনকে মেলি ল'লো
'বৰষুণত তিতা ওঁঠ'
চকুদুটা উপন্যাসৰ পাতত যদিও
মনটো বৰষুণৰ মাজলৈ গুচি গ'ল। বৰষুণ এৰাই নাই
পাহাৰ নদী পথাৰ অনৱৰতে বৰষুণত তিতে
এবাৰ বহুদিন বৰষুণ নহা দেখি
পাহাৰখনে সাগৰত গৈ জোবোৰা এটা মাৰিব খুজিলে
ভোক লগা পেটত এতিয়া জুই লাগিছে
বৰষুণ এৰালৈ বাট চালে নহ'ব জুইৰ প্ৰকোপ বাঢ়িছে
নিজৰ বাবে নিজেই বৰষুণ হ'ব লাগিব
মন গ'লে দেৱ কিবাকিবি হ'ব পাৰি
অন্ততঃ নিজৰ বাবে
খপজপকৈ উঠিলে পৃথিৱী। থৰ হৈ ৰ'ল আকাশ
সাগৰে নিজে অহাৰ আশ্বাস দিলে
পাহাৰ শান্ত হ'ল। নিদ্ৰা মগ্ন ডাৱৰ অৱশেষত সাৰ পালে
বৰষুণলৈ অপেক্ষা কৰি থকা পিতাইৰ চকুহাল
সদায় আকাশলৈ উৰা মাৰে
পথাৰৰ চুক কোণ খুচৰি খুচৰি ভাল পোৱা পিতাই
কিনকিনীয়া বৰষুণজাকৰ আজন্ম প্ৰেমিক

# বৈভৱ

পাপৰি শইকীয়া বৰা, গোলাঘাট



এদিন তোমাৰ পদুলিত গছ হৈ গজিম ।
সুগন্ধিৰে উপচাই দিম হিয়া !
এটা সেউজীয়া সুৰ হৈ বগাই যাম তোমাৰ অনুভৱী হিয়াত!
এদিন তোমাৰ পদুলিত গছ হৈ গজিম ।
তুমিতো জানাই গছ মানেই বিনিময়হীন ভালপোৱা !
গছ মানেই ঋতুৰ ৰঙত বৰ্ণময় হোৱাৰ নিৰৱ প্ৰতিশ্ৰুতি।
ধুমুহা! বৰষুণ অথবা শিলাবৃষ্টি
একোতেই গছে বিচ্ছিন্ন কৰিব নিবিচাৰে অস্তিত্বৰ শিপা!
সঁচাকৈ কৈছো - এদিন তোমাৰ পদুলিত গছ হৈ গজিম।
চৰ্ত এটাই তুমিও এখন গছ ভালপোৱা অৰণ্য হব লাগিব।
হব লাগিব !!

# একবিংশ শতিকা গৰকা অন্ধবিশ্বাস

মানদণ্ডৰে জীৱন নিৰ্বাহ কৰা ব্যক্তিজনে লগতে পৰিয়ালটোৰে বিগত এটা দশকৰো অধিক কাল এজন ভণ্ড তান্ত্ৰিকৰ কথাত উঠা বহা কৰিছিল, বেজ বেজালি কৰি আহিছিল আৰু শেষত নৰবলিৰ দৰে নিকৃষ্ট, ভয়াবহ কাম কৰিবলৈকো প্ৰস্তুত হৈছিল। তেখেতৰ এই বেজ বেজালিৰ কামত নিশ্চয় এচাম মানুহে সহযোগিতা, সাৰপানী যোগাইছিল। সেইবাবেই তেওঁ নিৰ্ভয়ে আৰু নিৰ্বাবাদে এই কামসমূহ চলাই লৈ যাব পাৰিছিল আৰু তেওঁৰ বাসগৃহত সময়ে। সময়ে এচাম ধৰ্মান্ধ মানুহৰ সমাবেশ ঘটিছিল।

সমাজত বাস কৰা সকলো মানুহৰ ধৰ্মৰ প্ৰতি কিছু বিশ্বাস থাকে, যিয়ে বহু সময়ত মানুহক মানসিক শক্তিৰো যোগান ধৰে। কিন্তু অতি মাত্ৰা ধৰ্মৰ প্ৰভাৱে এটা সময়ত মানুহক ধৰ্মান্ধ কৰি তোলে আৰু এই ধৰ্মান্ধতাই মানুহৰ মনত অন্ধবিশ্বাসৰ জন্ম দিয়ে। এই অন্ধবিশ্বাসে আমাৰ জীৱনযাত্ৰাত প্ৰায়ভাগ সময়তে নেতিবাচক প্ৰভাৱ পেলায়। সমাজত যে কেৱল জুপুৰি ঘৰত বাস কৰা, বিদ্যুতৰ পোহৰ নোপোৱা মানুহৰ মাজতহে অন্ধবিশ্বাস, কুসংস্কাৰৰ পয়োভৰ বেছি তেনে নহয়, নিয়ন লাইটৰ পোহৰত অট্টালিকাত বসবাস কৰা মানুহৰ মাজতো বহুত দলে অন্ধ বিশ্বাস সোমাই থাকে। আমাৰ সমাজ সভ্যতা বিজ্ঞান প্ৰযুক্তিৰ চমক প্ৰদতাৰে যিমান দূৰ আগবাঢ়ি গৈছে তেনেস্থলত আমাৰ সমাজখনত অন্ধবিশ্বাস, কুসংস্কাৰৰ মাত্ৰা বাঢ়িহে গৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তত সময়ে সময়ে ডাইনী, সোপাধৰা, আই লম্ভা, মহাদেৱে লম্ভা আদিৰ দৰে বহুতো অন্ধবিশ্বাস জনিত ঘটনা ঘটিয়ে আছে। এই সমূহ ঘটনাত ইতিমধ্যে বহু নিৰীহ লোকে প্ৰাণ বিসৰ্জন দিব লগা হৈছে। বহুতে চিৰদিনৰ বাবে নিজৰ ঘৰ বাৰী ত্যাগ কৰিবলগা হৈছে। বহু বছৰ ধৰি ৰাজ্যখনৰ কেইবাখনো জিলাত বিশেষকৈ গোৱালপাৰা, কোকৰাঝাৰ, চিৰাং, বঙাইগাওঁ, ওদালগুৰি জিলাত ডাইনীৰ দৰে অন্ধবিশ্বাসৰ কবলত পৰি বহু ব্যক্তিক অকথ্য শাৰীৰিক, মানসিক নিৰ্যাতন দিয়াৰ দৰে ঘটনা সংঘটিত হৈছে। বহু নিৰীহ ব্যক্তিৰ জীৱন কাঢ়ি লোৱা হৈছে। বহু লোক পৰিয়ালচ্যুত, সমাজচ্যুত হ'বলগীয়া হৈছে। ইয়াৰ উপৰিও বিভিন্ন চাহ জনজাতি অঞ্চলসমূহত থকা শোণিতপুৰ, বিশ্বনাথ, কোকৰাঝাৰ আদি ঠাইত ডাইনীৰ দৰে অন্ধ বিশ্বাসৰ সন্দেহত কেইবা গৰাকী ব্যক্তিক নিষ্ঠুৰভাৱে হত্যা কৰাৰ দৰে খবৰ ৰাজ্যবাসীৰ হাতত আছে। নগাওঁ, কাৰ্বি আংলং জিলাৰ সীমান্তবৰ্তী অঞ্চলৰ ৰাষ্ট্ৰীয় সন্মান প্ৰাপ্ত প্ৰবীণ মহিলা খেলুৱৈও ডাইনীৰ নিৰ্যাতনৰ ভুক্তভোগী হৈছে। যি যুগত বিজ্ঞান, প্ৰযুক্তিৰ চমকপ্ৰদ সাফল্যই আমাৰ চিন্তাধাৰা মানসিকতাৰ উচ্চ পৰ্যায়লৈ যাব লাগিছিল সেই সময়ত আমাৰ সমাজত ডাইনীৰ দৰে অন্ধবিশ্বাসত বহুলোকে চৰম নিৰ্যাতনৰ বলি হৈ আছে। যোৱাটো বৰ্ষত জুন মাহত কাৰ্বি আংলং জিলা ডাকাত গুৱাহাটীৰ দুই সংস্কৃতি প্ৰেমী যুৱকক সোপাধৰাৰ সন্দেহত এদল নৰপিশাচে জান্তৱ প্ৰবৃত্তিৰে মৰিয়াই মৰিয়াই হত্যা কৰিছিল। প্ৰতিভাৱান এই দুজন যুৱকে কাৰো একো অন্যায় কৰা নাছিল। কেৱল মাথো সৃষ্টিশীল কামৰ সমল বিচাৰি নিৰিবিলি প্ৰাকৃতিক পৰিৱেশৰ মাজত কিছু সময় কটাবলৈ গৈছিল। এই বৰ্বৰ ঘটনাই কেৱল ৰাজ্যৰ ভিতৰতে নহয় ৰাষ্ট্ৰৰ বাহিৰতো যথেষ্ট প্ৰতিবাদ সৃষ্টি কৰিছিল। আমি একৈশ শতিকাৰ মানুহ হৈ বিশ্ববাসীৰ সন্মুখত লজ্জানত হব লগা হৈছিল। অতি মন্থৰ গতিৰে আদালতত এই নিৰ্মম ঘটনাৰ বিচাৰ প্ৰক্ৰিয়া চলি আছে। বিগত কেইটামান বছৰ ধৰি আমাৰ ৰাজ্যখনৰ ভিন্ন প্ৰান্তত এনে অন্ধবিশ্বাস কুসংস্কাৰ নামত বহুত ঘটনা ঘটি আছে। ঘটনাসমূহ ঘটি যোৱাৰ লগে লগে সকলো ফালে সৰৱ প্ৰতিবাদ হয় তাৰ পিছতে সকলো নিতাল মাৰে। সংবাদ মাধ্যমৰ কৰ্মী আৰু স্বেচ্ছাসেৱী সংস্থা দুটা মানে সকলো দায়িত্ব কান্ধ পাতি ল'ব বুলি চৰকাৰ খনে নিচিন্ত মনে বহি থাকে। সেইবাবেই এনে সমস্যাসমূহ কমাৰ পৰিৱৰ্তে বাঢ়িহে গৈ থাকে। ৰাজ্য চৰকাৰখনৰ এইসমূহ দিশত যথেষ্ঠ গুৰুত্ব থাকে। আমাৰ ৰাজ্যখনৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বৰ ৰাজ্যসমূহৰ সামাজিক জনগাঠনি বৈচিত্ৰপূৰ্ণ ভিন ভিন জাতি জনজাতি, চাহ জনগোষ্ঠীয় লোকৰে পৰিপূৰ্ণ। দুৰ্গম আওহতীয়া অঞ্চলত বসবাস কৰা ভিন্ন জনগোষ্ঠীৰ মানুহৰ মাজত এতিয়াও অন্ধবিশ্বাস ধৰ্মান্ধতা বহু পৰিমাণে শিপাই আছে। সামাজিক শিক্ষা প্ৰদান কৰি এই লোকসকলৰ মনৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আতঁৰ কৰিব নোৱাৰিলে কেৱল আমাৰ ৰাজ্যখনেই নহয় সমগ্ৰ উত্তৰ পূৰ ভাৰতেই আৰ্থ সামাজিক উন্নয়নৰ দিশত কেতিয়াও অগ্ৰসৰ হ'ব নোৱাৰে। প্ৰতিটো কৰ্মতে কেন্দ্ৰীয় চৰকাৰে প্ৰতিটো ৰাজ্যৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে বাজেটখনত এক বুজন পৰিমাণৰ ধন ধাৰ্য্য কৰা দেখা যায়। এই ধনৰ চাৰিভাগৰ এক অংশও এতিয়ালৈ ব্যয় কৰা হৈছে নে সামাজিক সংস্কাৰমূলক কাৰ্য্যসূচীৰ নামত। বিভিন্ন দুৰ্গম অঞ্চলত বসবাস কৰা পুৰুষ মহিলা নিৰ্বিশেষে ব্যক্তিসকল, বৰ্তমান প্ৰজন্মৰ কিশোৰ কিশোৰী, যুৱক-যুৱতীসকলৰ মাজত এনে অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে সজাগ কৰিবলৈ যথেষ্ঠ সজাগতামূলক কাৰ্যসূচীৰ প্ৰয়োজন আছে। বিদ্যালয়, মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এনে সজাগতামূলক কাৰ্যসূচীৰ যথেষ্ট প্ৰয়োজন যাতে অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে তেওঁলোকৰ মনত এক প্ৰৱল জনমত গঢ়ি তুলিব পাৰি। সেইবাবে ৰাজ্য চৰকাৰখনৰ যোগেদি এই ধনসমূহ এনে সামাজিক সংস্কাৰমূলক কাৰ্য্যসূচীৰ কামত বিনিয়োগ কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে যথোচিত পুঁজি ধাৰ্য্য কৰিব লাগে। সমাজিক বিকাশ সঠিকভাৱে নহ'লে অৰ্থনৈতিক, ৰাজনৈতিক বিকাশ সম্ভৱ নহয়। ৰাজ্যৰ প্ৰতিখন জিলাত থকা জিলাধিপতিসকলে নিজৰ নিজৰ জিলাৰ বিশেষ বিশেষ এলেকাসমূহত সংস্কাৰমূলক কাৰ্য্যসূচী হাতত ল'ব পাৰে যদি তেওঁলোকে সময়মতে উপযুক্তধন খিনি/পুঁজি লাভ কৰিব পাৰে। ৰাজ্য চৰকাৰে নিজৰ বাজেটত এই শিতানত পৰ্য্যাপ্তধন ৰাখিব লাগে । যিহেতুকে ৰাজ্যখনত সামাজিক দৃষ্টিভংগীৰ উত্তৰণৰ হেতুকে যথেষ্ট কাম কৰিবলগীয়া আছে। এই শিতানত কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আৰু পুঁজিৰ ধন সোনকালে মোকলাই দিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক সময়মতে জোৰ দিব লাগে। আমাৰ ৰাজ্যখন অন্ধবিশ্বাস, কুসংস্কাৰৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ ৰাজ্য চৰকাৰ, ৰাজ্যৰ প্ৰতিজন লোকে বহল পৰিসৰত, সুপৰিকল্পিতভাৱে ইয়াৰ দীৰ্ঘম্যাদী সমাধানৰ বাবে পদক্ষেপ ল'ব লাগিব।

# ENGLISH NEWS SECTION

## Chief Minister's Institutional Plantation Programme inaugurated in ASACS




Guwahati, RB News:Plantation of saplings under the Chief Minister's Institutional Plantation Programme was inaugurated at the office premises of Assam State AIDS Control Society (ASACS) on August 2, 2022. The plantation programme was inaugurated by Hon'ble Minister for Health & FW, Assam Shri Keshab Mahanta in the presence of Principal Secretary to Govt of Assam, Health & FW Deptt, Shri Avinash Joshi, IAS, Project Director, ASACS, Pomi Baruah, ACS, Additional Secretary to the Govt of Assam, Health & FW, Shri Manas Nath, ACS, Joint Secretary to the Govt of Assam, Health & FW Deptt, JM Patgiri, ACS, and a host of other dignitaries. Speaking on the occasion, the Minister said, "It is really a great initiative taken by the Chief Minister. Actually, we should not have waited for CM's initiative and such a plantation drive should have been taken long back by every institution. Under the context of global warming, tree plantation is the need of the hour." The Minister planted a mango sapling, Principal Secretary, Health & FW planted a litchi sapling and Project Director ASACS planted a bokul sapling. The Minister also planted saplings at the office premises of DME Office. The CM's Institutional Plantation Programme (July 17 to August 15, 2022) was an initiative taken by the Science, Technology and Climate Change Department and the Co-ordinating Agency is Assam Science, Technology and Environmental Council.

## Assam Governor attends SVANidhi Mahotsav



Guwahati, RB News: Assam Governor Prof.Jagdish Mukhi attended SVANidhi Mahotsav, a celebration of Atmanirbhar Street Vendors organized by Guwahati Municipal Corporation, DAY-NULM, ASULMS under Department of Housing and Urban Affairs, Govt.of Assam at Srimanta Sankardeva International Auditorium in the city today. It may be mentioned that SVANidhi Mahotsav is a festival for empowering and celebrating the street vendors' growth story and their contribution towards Indian economy. The festival also aims at celebrating 75 years of India's independence with these grass root level entrepreneurs, honoring their journey under PM SVANidhi scheme. PM SVANidhi scheme provides initial loan of Rs.10,000 and subsequently Rs.20000 and Rs.50000 respectively after successful repayment of previous loans, allowing them to plan their business expansion. He said that the street vendors play a significant role in ensuring availability of goods and services at affordable rates. Prof. Mukhi also hailed the initiatives of the Prime Minister Narendra Modi for launching the PM SVANidhi scheme to facilitate working capital loans and help the street vendors resume their business which were adversely impacted due to the lockdowns imposed during COVID-19 pandemic. He said that it is a great initiative to empower the street vendors financially for their holistic and economic development. He also appreciated the street vendors for showing resilience and script several success stories in spite of the sluggishness resulted from COVID 19 pandemic. The Governor congratulated the bank authorities, the implementing agencies and other stake holders on the successful implementation of the scheme in the state. He said that the scheme will go a long way to benefit the lives of the street vendors and also help the vision of Atma Nirbhar Bharat. It may be noted that in Guwahati, as on date 10563 street vendors have already availed the benefit of the scheme. Minister for Housing and Urban Affairs Ashok Singhal also spoke on the occasion.

## Autumn Session of the Assam Legislative Assembly will be held from 12th September,



Guwahati, RB News: Aa per the notification issued by the State Government, the Autumn Session of the Assam Legislative Assembly will be held from 12th September, 2022 at 9.30 A.M on Monday at the Assembly Chamber in Dispur.

## Ensuring every household to hoist national flag



Guwahati, Rongili Barta- With an aim to make the HarGharTiranga campaign a success, Assam chief minister Himanta Biswa Sarma discussed with all the deputy commissioners recently. Ensuring the national flag is hoisted at every household from 13 to 15 August, Sarma directed the district authorities to encourage maximum participation of people. He advised publicity campaigns highlighting the relaxation of flag codes in the run-up to the platinum jubilee celebrations of independence. In another meeting, Sarma asked the State transport department to work with PWD (road) to ensure more safety norms to be introduced in accident-prone areas so that incidences of road accidents can be brought down and save precious lives. Taking a review of the department on Tuesday in the city, where all the district transport officers were present, Sarma asked concerned minister Parimal Suklabaidya to hold meetings regularly to assess the road accidents. Sarma also directed the district magistrates, where more than 100 fatalities caused by road accidents last year, to convene a meeting with all stakeholders and find out ways to cut down the number of accidents. Since most of the road-related fatalities are caused by not wearing helmets or avoiding seat belts, the police and transport department should jointly undertake a massive fortnight campaign before Durga Puja to generate necessary awareness, he added.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২১ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 7 August, 2022

## Beauty of the Week




Borsha Saikia

## Art of the Week



Kapish Das

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286




## Photography of the Week



Arindam Goswami

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286